গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ তিনি বছৰীয়া নিৰ্বাচন আধাৰিত ক্ৰেডিট পদ্ধতি অনুসৰি শিক্ষা বিষয়ৰ দ্বিতীয় ষাণ্মাসিক শ্ৰেণীৰ সন্মান (Honours) পাঠ্যক্ৰমৰ বৰ্গীয় ঐচ্ছিক পাঠ্য (Generic Elective) আৰু সাধাৰণ (Regular) পাঠ্যক্ৰমৰ বুনিয়াদী পাঠ্য (Core Course) ৰ ভিত্তিত প্ৰণীত

# কিশোৰৰ মনোবিজ্ঞান



গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ তিনি বছৰীয়া নিৰ্বাচন আধাৰিত ক্ৰেডিট পদ্ধতি (CBCS) অনুসৰি শিক্ষা বিষয়ৰ দ্বিতীয় ষান্মাসিক শ্ৰেণীৰ সন্মান (Honours) পাঠ্যক্ৰমৰ বৰ্গীয় ঐচ্ছিক পাঠ্য (Generic Elective) আৰু সাধাৰণ (Regular) পাঠ্যক্ৰমৰ বুনিয়াদী পাঠ্য (Core Course) ৰ ভিত্তিত প্ৰণীত

## স্নাতক মহলাৰ দ্বিতীয় ষান্মাসিকৰ

# কিশোৰৰ মনোবিজ্ঞান
# (Psychology of Adolescents)


**ড° উৎপল কলিতা**

সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী



Department of Education
Estd-1992
Date.........
Mazong Anchalik College

BINIMOI BOOK SHOP
Below Akash Institute
Panbazar, Ghy-1
(M) : 98640-51582



shanti prakashan

College Hostel Road
Panbazar, Guwahati-1

***Kishorar Manobignan :*** A Textbook of Education for 3 years TDC course, 2nd semester (Honours, Genenric elective and Regular Course) of Gauhati University, written by Dr. Utpal Kalita, and published by Shri Sujit Kanti Bhattacharyya on behalf of **SHANTI PRAKASHAN**, Guwahati.

Price : Rs.225/-only.

প্ৰকাশক ঃ শ্ৰীসুজিত কান্তি ভট্টাচাৰ্য
শান্তি প্ৰকাশন
গুৱাহাটী - ১

© ঃ লিখকৰ

প্ৰথম প্ৰকাশ ঃ

প্ৰকাশক আৰু লিখকৰ
লিখিত অনুমতি নোলোৱাকৈ
এই কিতাপৰ কোনো
অংশৰে যিকোনো ধৰণৰ
প্ৰতিলিপি অথবা নকল
কৰিব নোৱাৰিব

অক্ষৰ বিন্যাস ঃ
কে. ডি. কম্পিউটেক
নৰনাৰায়ণ পথ, দুৰ্গাসৰোবৰ
গুৱাহাটী-৯

ছপাওতা ঃ অৰোৰা ফাইন আৰ্টছ্
বামুনীমৈদাম
গুৱাহাটী-২১

**ISBN No. 978-93-84466-48-0**

মূল্য ঃ ২২৫.০০ টকা

Department of Education
Estd-1992
Date.........
Moyang Anchalik College

*"Adolescence represts an inner emotional upheaval, a struggle between the eternal human wish to cling to the past and the equally powerful wish to get on with the future."*

*---Louise J. Kaplan*

Department of Education
Estd-1992
Date........
Mayang Anchalik College
Book-A-O-101

# উপক্ৰমণিকা

মানৱ জীৱন বৈচিত্ৰপূৰ্ণ। বৈচিত্ৰ্যপূৰ্ণ মানৱ জীৱনৰ বিকাশ অবিৰতভাৱে চলি থাকে। জন্মৰ পৰা মৃত্যু পৰ্যন্ত মানৱ জীৱনক মনোবিজ্ঞানীসকলে বিভিন্ন ভাগত ভাগ কৰিছে। সাধাৰণভাৱে পৰ্যবেক্ষণ কৰিলে এই ভাগকেইটা হ'ল শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল আৰু বয়প্ৰাপ্তি বা প্ৰাপ্তবয়স্ক কাল। মানৱ জীৱনৰ আনবোৰ সময়ৰ তুলনাত কৈশোৰ কালৰ গুৰুত্ব অতি বেছি। জীৱনৰ এই কালছোৱাত ব্যক্তিৰ জীৱনত দৈহিক, আৱেগিক, মানসিক আৰু সামাজিক পৰিৱৰ্তন দ্ৰুতগতিত হোৱা দেখিবলৈ পোৱা যায়। এই পৰিৱৰ্তনবোৰ ইমান ফলপ্ৰসূ যে ই ব্যক্তিৰ দৃষ্টিভংগী সলনি কৰি পেলায়। কিশোৰ-কিশোৰীসকলে নিজকে সমাজৰ এজন দায়িত্বশীল নাগৰিক স্বৰূপে গঢ়ি তুলিব বিচাৰে। এই সময়ছোৱাত কিশোৰ-কিশোৰীসকল নানা সমস্যাৰো সন্মুখীন হোৱা দেখা যায়। এই সমস্যাবোৰ সমাধান কৰাৰ বাবে পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক-শিক্ষয়ত্ৰী আৰু সমাজৰ প্ৰতিজন দায়িত্বশীল নাগৰিকে কিশোৰ-কিশোৰীক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰিব লাগে। বিকাশৰ এই গুৰুত্বপূৰ্ণ স্তৰটোৰ বিভিন্ন পৰিৱৰ্তন আৰু সমস্যাবোৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞাত কৰাটো প্ৰয়োজন। সেই উদ্দেশ্যৰে বিশ্ববিদ্যালয়ে স্নাতক মহলাৰ শিক্ষা বিষয়ৰ দ্বিতীয় ষান্মাসিক শ্ৰেণীৰ সন্মান (Honours) পাঠ্যক্ৰমৰ বৰ্গীয় ঐচ্ছিক পাঠ্য (Generic Elective) আৰু সাধাৰণ (Regular) পাঠ্যক্ৰমৰ বুনিয়াদী পাঠ্য (Core Course) ৰ ভিত্তিত 'কিশোৰৰ মনোবিজ্ঞান' (Psychology of Adolescents) নামৰ এই গ্ৰন্থখন ৰচনা কৰা হৈছে।

অতি কম সময়ৰ ভিতৰত প্ৰস্তুত কৰি উলিওৱা বাবে গ্ৰন্থখন ৰচনা কৰোঁতে ভুল-ত্ৰুটি বৈ যোৱাৰ সম্ভাৱনা আছে। অপ্ৰত্যাশিত ভুল ত্ৰুটিৰ বাবে সহৃদয় আৰু অনুৰাগী পাঠক-পাঠিকাসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু গঠনাত্মক দিহা পৰামৰ্শৰ আশা ৰাখিছোঁ।

গ্ৰন্থখন ৰছনা কৰোঁতে যিসকল দেশী-বিদেশী লেখকৰ গ্ৰন্থৰাজিৰ সহায় লোৱা হৈছে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। অন্যহাতেদি ইণ্টাৰনেটৰ সহায়ত বিভিন্ন ৱেবচাইটবোৰৰ পৰা বিভিন্ন তথ্য আহৰণ কৰা হৈছে। সেয়ে বিভিন্ন ৱেবছাইটৰ লগত জড়িত ব্যক্তিসকলৰো শলাগ লৈছোঁ।

পুথিখন প্ৰস্তুত কৰি উলিওৱাত যিসকল ব্যক্তিয়ে লেখকক অনুপ্ৰেৰণা যোগাইছে সেই সকলোকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। প্ৰতিটো কামতে মানসিক সহায় আগবঢ়োৱা পৰিয়ালৰ আটাইবোৰ সদস্যলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰা শান্তি প্ৰকাশনৰ স্বত্বাধিকাৰী আৰু প্ৰকাশনৰ সকলো কৰ্মচাৰীক লেখকৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী
ডিচেম্বৰ, ২০১৯

ধন্যবাদ সহকাৰে
লেখক
Email ID : utpalkalita20@gmail.com

Mayang Anchalik College ... Date ... Exp-2022

# SYLLABUS

## Psychology of Adolescents

### Paper: 5.05 (Credits-6) (Major Course)

### PAPER NAME: PSYCHOLOGY OF ADOLESCENTS

### PAPER CODE: EDU-HG-2016 (HONOURS GENERIC) AND EDU-RC-2016 (REGULAR CORE)

### [TOTAL MARKS: 100 (EXTERNAL: 80 AND INTERNAL: 20) CREDIT-6

**Unit-I : Introduction to adolescent psychology**

- Meaning and definition of adolescence·Need and importance of studying adolescent psychology
- Adolescence – age of transition
- Is adolescence a period of storm and stress?

**Unit-II: Physical and mental development**

- Characteristics of physical development
- Characteristics of mental development
- Educational implications of physical and mental development

**Unit-III : Social development**

- Characteristics of social development
- Influence of peers in social development
- Factors affecting social adjustment

**Unit-IV :Emotional and personality development**

- Characteristics of emotional development
- Personality changes during adolescence
- Adjustment problems of adolescence

**Unit-V: Delinquency**

- Meaning , Nature and types of delinquency
- Causes of delinquency – biological, psychological and sociological
- Role of school, family and society in preventing delinquency
- Prevention and control of drug addiction

Book-101

Department of Education
Estd-1992
Date.........
Mayang Anchalik College

# সূচীপত্ৰ

প্ৰথম অধ্যায় ঃ কিশোৰ মনোবিজ্ঞানৰ পৰিচয় 1 – 27

- কৈশোৰৰ অৰ্থ আৰু সংজ্ঞা
- কিশোৰ মনোবিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
- কৈশোৰ কাল — অৱস্থান্তৰ প্ৰাপ্তিকাল
- কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ কাল হয়নে?

দ্বিতীয় অধ্যায় ঃ দৈহিক আৰু মানসিক বিকাশ 28 – 46

- দৈহিক বিকাশৰ বৈশিষ্ট্যবোৰ
- মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ
- দৈহিক আৰু মানসিক বিকাশৰ শৈক্ষিক তাৎপৰ্য

তৃতীয় অধ্যায় ঃ সামাজিক বিকাশ 47 – 72

- সামাজিক বিকাশৰ বৈশিষ্ট্যবোৰ
- সামাজিক বিকাশত সমনীয়াৰ প্ৰভাৱ
- সামাজিক সমাযোজনত প্ৰভাৱিত কৰা কাৰকবোৰ

চতুৰ্থ অধ্যায় ঃ আৱেগিক আৰু ব্যক্তিত্ব বিকাশ 73 – 109

- আৱেগিক বিকাশৰ বৈশিষ্ট্যবোৰ
- কৈশোৰ কালত ব্যক্তিত্বৰ পৰিবৰ্তন
- কৈশোৰৰ সমাযোজনৰ সমস্যাবোৰ
- সামাজিক সমাযোজনত প্ৰভাৱিত কৰা কাৰকবোৰ

পঞ্চম অধ্যায় ঃ অপৰাধ প্ৰৱণতা 110 – 143

- অপৰাধ প্ৰৱণতাৰ অৰ্থ প্ৰকৃতি আৰু প্ৰকাৰবোৰ
- অপৰাধ প্ৰৱণতাৰ কাৰণ — জৈৱিক, মনোবৈজ্ঞানিক আৰু সামাজিক
- অপৰাধ প্ৰৱণতাৰ প্ৰতিকাৰত বিদ্যালয়, পৰিয়াল আৰু সমাজৰ ভূমিকা
- মাদক দ্ৰব্য আসক্তিৰ প্ৰতিকাৰ আৰু নিয়ন্ত্ৰণ

গ্ৰন্থপঞ্জী 144

Department of Education
Estd-1992
Date.........
Mayong Anchalik College

প্ৰথম অধ্যায়

# কিশোৰ মনোবিজ্ঞানৰ পৰিচয়
# (Introduction to Adolescent Psychology)

- কৈশোৰৰ অৰ্থ আৰু সংজ্ঞা **(Meaning and Definitions of Adolescence)**
- কিশোৰ মনোবিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব **(Need and Importance of Studying Adolescent Psychology)**
- কৈশোৰ কাল — অৱস্থান্তৰ প্ৰাপ্তিকাল **(Adolescence – Age of Transition)**
- কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ কাল হয়নে? **(Is Adolescence a period of storm and strain)**

## প্ৰস্তাৱনা (Introduction)

ব্যাপক দৃষ্টিভংগীত শিক্ষা হ'ল এক বিকাশ প্ৰক্ৰিয়া। শিশু ভূমিষ্ঠ হোৱাৰ পিছৰে পৰা বিকাশৰ দিশেৰে অগ্ৰসৰ হয়। মানৱ জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া হ'ল বিকাশ। জন্মৰ পিছৰে পৰা মানুহে শাৰিৰীক, মানসিক, আৱেগিক, বৌদ্ধিক আদি বিভিন্ন দিশৰ ক্ষেত্ৰত বিকাশ লাভ কৰে। এই দিশবোৰৰ বিকাশৰ যোগে মানুহে নতুন পৰিৱেশত নিজকে সমাযোজিত কৰিব পাৰে। মানৱ জীৱনত অবিৰতভাৱে হোৱা বিকাশক আমি সাধাৰণভাৱে চাৰিটা ভাগত ভাগ কৰিব পাৰো; সেয়া হ'ল — শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল আৰু প্ৰাপ্তবয়স্ক বা বয়প্ৰাপ্তি কালি। দৰাচলতে মানৱ জীৱনৰ বিভাগৰ এই ভাগবোৰ কৰা হৈছে আমাৰ অধ্যয়নৰ সুবিধাৰ বাবেহে। প্ৰকৃতাৰ্থত মানৱ জীৱনৰ বিকাশক এক নিৰ্দিষ্ট সীমাৰেখাৰ মাজত আৱদ্ধ কৰিব নোৱাৰি। মানৱ বিকাশ এক অবিৰত আৰু নিৰৱিচ্ছিন্ন প্ৰক্ৰিয়া। মানৱ জীৱনত বিকাশৰ লগত জড়িত হৈ থকা এক ধাৰণা হ'ল বৃদ্ধি। বৃদ্ধি আৰু বিকাশৰ যোগে মানৱ জীৱনক সুন্দৰভাৱে আগুৱাই নিব পাৰি।

## বৃদ্ধিৰ মৌলিক ধাৰণা (Basic Concept of Growth)

সাধাৰণ দৃষ্টিকোণেৰে বৃদ্ধি আৰু বিকাশৰ অৰ্থ এনে যেন লাগিলেও প্ৰকৃতাৰ্থত বৃদ্ধি আৰু বিকাশ একে নহয়।

বৃদ্ধি বা বৰ্দ্ধন শব্দটোৱে ব্যক্তিয়ে দৈহিকভাৱে পৰিপক্কতা লাভ কৰাক বুজায়। জন্মপূৰ্ব অৱস্থাত মাতৃগৰ্ভত থকা অৱস্থাতে ব্যক্তিৰ দৈহিক দিশৰ পৰিৱৰ্তন আৰম্ভ হয়। ব্যক্তিৰ দেহকোষবোৰে জন্মপূৰ্ব অৱস্থাৰ পৰা ভ্ৰূণৰ হাত-ভৰি, দেহৰ অংগ-প্ৰত্যংগ, মস্তিষ্ক, মাংসপেশী, স্নায়ৱিক গঠন, পাচক-যন্ত্ৰ, হৃদযন্ত্ৰ, দেহ-কংকাল আৰু অন্যান্য অংশবোৰক গঢ় দি তোলে। মাতৃগৰ্ভত হোৱা এই বৃদ্ধিক তিনিটা পৰ্যায়ত ভাগ কৰা হয়। ভাগকেইটাৰ নাম হ'ল — ডিম্বকোষ পৰ্যায় (Germinal Stage), ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় (Embryonic Stage), আৰু পৰিপুষ্ট ভ্ৰূণৰ পৰ্যায় (Fetal Stage)। মানুহৰ এই দৈহিক বৃদ্ধি গোটেই জীৱন চলি নাথাকে। প্ৰায় ২৫ বছৰ বয়সলৈ এই বৃদ্ধি চলি থাকে। তাৰ পিছত লাহে লাহে ই কমি আহি এটা সময়ত ই স্থৱিৰ হৈ পৰে। গতিকে বৃদ্ধি বা বৰ্ধনৰ অৰ্থ প্ৰদান কৰি ক'ব পাৰি যে দেহৰ কোষবোৰৰ গঠন, দেহৰ আকাৰ-আকৃতি বাঢ়ি যোৱা, ওজন-উচ্চতা বঢ়া আদিক বৃদ্ধি বা বৰ্ধন বোলা হয়।

বৃদ্ধি বা বৰ্ধনৰ কেতবোৰ চাৰিত্ৰিক বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল —

১। শিশুৰ বৃদ্ধি মাতৃগৰ্ভত থকাৰ পৰাই আৰম্ভ হয়। মাতৃগৰ্ভত থকা সময়ছোৱাত শিশুৱে বিভিন্ন দৈহিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হয়।

২। জন্মৰ পৰা আঢ়ৈ বছৰ বয়সলৈ বৃদ্ধিৰ গতি অতি দ্ৰুত হয়। তাৰ পিছত বাল্যকালত মন্থৰ হয় আৰু কৈশোৰ কালত দ্ৰুত দৈহিক বৃদ্ধি দেখিবলৈ পোৱা যায়।

৩। কৈশোৰ কালৰ পিছত দৈহিক বৃদ্ধি ক্ৰমান্বয়ে কমি আহে।

৪। দৈহিক বৃদ্ধিৰ ফালৰ পৰা কৈশোৰ কালত শিশু পৰিপক্ক হৈ উঠে আৰু তাৰ পিছত বৃদ্ধিৰ গতি স্থৱিৰ হৈ পৰে।

৫। ব্যক্তিৰ আভ্যন্তৰীণ আৰু বাহ্যিক অংগ-প্ৰত্যংগৰ পৰিৱৰ্তন বৃদ্ধি প্ৰক্ৰিয়াৰ ফলত হোৱা দেখা যায়।

৬। লিংগভিত্তিক তুলনা কৰিলে কৈশোৰ কালছোৱাত ল'ৰাৰ তুলনাত ছোৱালীৰ বৃদ্ধি অধিক দ্ৰুতগতিত হয়।

৭। বৃদ্ধিয়ে জৈৱিক আৰু দৈহিক পৰিবৰ্তনক সূচায়।

৮। বৃদ্ধিৰ ব্যক্তি এক নিজস্ব আৰু স্বকীয় বৈশিষ্ট্য।

৯। বৃদ্ধি যান্ত্ৰিক আৰু স্বতঃস্ফূৰ্তভাৱে সংঘটিত হয়।

১০। দৰাচলতে কোনো বস্তুৰ দৈহিক আৰু আবয়ৱিকভাৱে ক্ৰমে বাঢ়ি যোৱা অৱস্থাই হ'ল বৃদ্ধি।

Department of Education Estd-1992 Date........ Nalbari Anchalik College

## বিকাশৰ মৌলিক ধাৰণা (Basic Concept of Development)

বিকাশ হৈছে এক বহল পৰিসৰৰ গুণগত ধাৰণা। ই হৈছে এক সামগ্ৰিক অৱস্থা, যি মানুহৰ দৈহিক, মানসিক, আৱেগিক আৰু সামাজিক বিকাশৰ দিশ সামৰি লয়। ই হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল-প্ৰতিকূল প্ৰভাৱৰ পৰিণতি। প্ৰত্যেক ব্যক্তিয়ে দৈহিক আৰু জৈৱিক অস্তিত্বৰে জন্মগ্ৰহণ কৰে। এই অস্তিত্বৰ ওপৰত পৰিবেশৰ প্ৰভাৱ পৰে আৰু বিকাশ সম্ভৱ হৈ উঠে। বিকাশ প্ৰক্ৰিয়া গোটেই জীৱন চলি থাকে। ই এক বিৰামহীন প্ৰক্ৰয়া যি অবিৰতভাৱে সমগ্ৰ জীৱন চলি থাকে।

বিকাশৰ বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্যবোৰ হ'লত উল্লেখ কৰা ধৰণৰ —

১। বিকাশ হৈছে জীৱই পৰিৱেশত কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিণতি। অৰ্থাৎ বিকাশ হ'ল আমাৰ সহজাত জৈৱিক ক্ষমতাৰ ওপৰত পৰিৱেশৰ প্ৰভাৱৰ ফল বা পৰিণতি।

২। বিকাশ হৈছে এক অবিচ্ছিন্ন, নিৰন্তৰ আৰু অবিৰত প্ৰক্ৰিয়া। বিকাশৰ কোনো দুই স্তৰৰ মাজত কোনো স্পষ্ট ব্যৱধান নাথাকে।

৩। সকলো সময়ত বিকাশৰ গতি সমান ৰূপত আৰু স্বাভাৱিক নহয়। কোনো সময়ত বিকাশৰ গতি দ্ৰুততৰ আৰু কোনো সময়ত ই মন্থৰ বা লেহেমীয়া হৈ পৰে।

৪। সাধাৰণতে দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক দিশত হোৱা পৰিৱৰ্তনবোৰৰ এক সমন্বয় সাধনৰ যোগে বিকাশ সংঘটিত হয়। এই দিশবোৰৰ বিকাশ একক আৰু পৃথক নহয়।

৫। লিংগভিত্তিক তুলনা কৰিলে দেখা যায় যে ল'ৰা আৰু ছোৱালীৰ দেহ-মানসিক বিকাশৰ গতি আৰু প্ৰকৃতি একে নহয়। কেতিয়াবা ল'ৰাৰ বিকাশ দ্ৰুততৰ হয় আৰু কেতিয়াবা ছোৱালীৰ বিকাশৰ গতি দ্ৰুততৰ হয়।

৬। ব্যক্তিৰ বিকাশ দৈহিক পৈণতা আৰু শিক্ষাৰ ওপৰত নিৰ্ভৰশীল।

৭। বিকাশ হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল আৰু প্ৰতিকূল প্ৰভাৱৰ পৰিণতি।

৮। বিকাশ হ'ল উদ্দেশ্য প্ৰণোদিতভাৱে সংঘটিত এক প্ৰক্ৰিয়া।

## বৃদ্ধি আৰু বিকাশৰ নীতিবোৰ (Principle of Growth and Development) :

বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়াৰ যোগে ব্যক্তিৰ যি বিকাশ হয় সেয়া কেতবোৰ নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত। এই নীতিবোৰ তলত আলোচনা কৰা হ'ল —

১। **বৃদ্ধি আৰু বিকাশ এক অবিৰত প্ৰক্ৰিয়া (Growth and Development is a Continuous Process) :** মাতৃগৰ্ভত ভ্ৰূণে স্থান লোৱাৰ পৰা বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়াৰ আৰম্ভণি হয়। এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত অবিৰতভাৱে চলি থাকে।

২। **বৃদ্ধি আৰু বিকাশৰ গতি সমান নহয় (The Tempo of Growth and Development is not Even) :** বৃদ্ধি আৰু বিকাশ অবিৰত প্ৰক্ৰিয়া হ'লেও এই দুই প্ৰক্ৰিয়াৰ বিকাশৰ গতি সমান নহয়। শৈশৱ কালত এই প্ৰক্ৰিয়া দুটা দ্ৰুততৰভাৱে বিকশিত হয়, পৰৱৰ্তী সময়ত মন্থৰ হয়। আকৌ কৈশোৰ কালত বৃদ্ধি আৰু বিকাশৰ দ্ৰুত গতিত হোৱা দেখা যায়।

৩। **ব্যক্তিগত পাৰ্থক্যৰ নীতি (Principle of Individual Diffecrence) :** শিশুৰ বিকাশত ব্যক্তিগত পাৰ্থক্য দেখিবলৈ পোৱা পায়। সকলো ব্যক্তিৰ বৌদ্ধিক দক্ষতাৰ ক্ষেত্ৰত শিশুসকলৰ মাজত প্ৰায়েই পাৰ্থক্য দেখিবলৈ পোৱা যায়। বংশগতীয় আৰু পৰিৱেশীয় কাৰকৰ বাবে এই পাৰ্থক্যবোৰ দেখিবলৈ পোৱা যায়।

৪। **সংহতিৰ নীতি (Principle of Integration) :** এই নীতি অনুসৰি শিশুৰ বিকাশ সাধাৰণৰ পৰা বিশেষলৈ আৰু বিশেষৰ পৰা সাধাৰণলৈ হোৱা দেখা যায়। শিশুৱে বিশেষ কাৰ্যবোৰত ব্যস্ত হৈ থাকোতে সাধাৰণ নিয়ম প্ৰতিষ্ঠা কৰা হয়। গতিকে শিশুৰ বিকাশ সাধাৰণ আৰু বিশেষ কাৰ্যৰ সংহতিকৰণৰ ভিত্তিত হোৱা দেখা যায়।

৫। **আন্তঃসম্বন্ধৰ নীতি (Principle of Inter-relation) :** বিভিন্ন ক্ষেত্ৰত যেনে দৈহিক, মানসিক, সামাজিক ইত্যাদিৰ বৃদ্ধি আৰু বিকাশৰ মাজত আন্তঃসম্বন্ধ আৰু আন্তঃনিৰ্ভৰশীলতা আছে। শিশুৰ বৃদ্ধি আৰু বিকাশত এটা দিশৰ বিকাশে আন এটা দিশৰ বিকাশৰো আগুৱাই লৈ যায়। পৰ্যবেক্ষণ কৰিলে দেখা যায় যে নিম্ন বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীসকল শাৰিৰীকভাৱে অসুস্থ, আৱেগিকভাৱে অস্থিৰ আৰু অপসমাযোজিত হোৱা দেখা যায়।

৬। **বিকাশ ভৱিষ্যৎবাণী মূলক (Development is Predictable) :** প্ৰত্যেক শিশুৰ বিকাশ নিজস্বভাৱে হয় আৰু এই বিকাশে শিশুৰ ভৱিষ্যতৰ পৰিসৰৰ অনুমানত সহায় কৰে। কিন্তু এই ভৱিষ্যত অনুমান কেৱল সাধাৰণ শিশুৰ ক্ষেত্ৰতহে সম্ভৱ। অসাধাৰণ বা উচ্চ বুদ্ধিসম্পন্ন শিশুৰ ক্ষেত্ৰত সম্ভৱ নহয়।

## বৃদ্ধি আৰু বিকাশৰ মাজত পাৰ্থক্য (Difference between Growth and Development)

বৃদ্ধি আৰু বিকাশৰ মাজত থকা বিভিন্ন পাৰ্থক্যবোৰ তলত উল্লেখ কৰা হ'ল—

| বৃদ্ধি | বিকাশ |
|---|---|
| ১। বৃদ্ধিৰ ধাৰণা শাৰীৰিক। শৰীৰৰ ওজন, আকাৰ আদিক ই সামৰি লয়। | ১। বিকাশৰ ধাৰণা সামগ্ৰিক। ই দৈহিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক, বৌদ্ধিক আদি দিশক সামৰি লয়। |
| ২। বৃদ্ধিক সঁজুলিৰে জুখিব পাৰি। | ২। বিকাশ কোনো সঁজুলিৰে জুখিব নোৱাৰি। ইয়াক পৰ্যবেক্ষণহে কৰিব পাৰি। |
| ৩। বৃদ্ধি এক আভ্যন্তৰীণ প্ৰক্ৰিয়া। ই সম্পূৰ্ণ-ৰূপে বংশগতিৰ ওপৰত নিৰ্ভৰশীল। | ৩। বিকাশ আভ্যন্তৰীণ আৰু বাহ্যিক প্ৰক্ৰিয়া। ই বংশগতি আৰু পৰিৱেশ দুয়োটাৰ ওপৰত নিৰ্ভৰশীল। |
| ৪। বৃদ্ধি হ'ল বিকাশৰ এক অংশবিশেষ। | ৪। বিকাশ এক সামগ্ৰিক প্ৰক্ৰিয়া। |
| ৫। কোনো এক নিৰ্দিষ্ট বয়সত বৃদ্ধি প্ৰক্ৰিয়া স্থবিৰ হৈ পৰে। | ৫। বিকাশ এক অবিৰত প্ৰক্ৰিয়া। ই জন্মৰ পৰা মৃত্যুলৈ আজীৱন চলি থাকে। |
| ৬। বৃদ্ধিৰ লগত শিক্ষণৰ কোনো সম্বন্ধ নাই। | ৬। বিকাশৰ লগত শিক্ষণৰ এক ওচৰ সম্বন্ধ আছে। |
| ৭। বৃদ্ধি হৈছে শৰীৰ বিজ্ঞানীসকলৰ এক বিশিষ্ট অধ্যয়ণৰ বিষয়। | ৭। বিকাশ হৈছে মনোবিজ্ঞানী সকলৰ এক বিশিষ্ট অধ্যয়নৰ বিষয়। |
| ৮। বৃদ্ধি এক যান্ত্ৰিক প্ৰক্ৰিয়া। | ৮। বিকাশ এক উদ্দেশ্য-প্ৰণোদিত প্ৰক্ৰিয়া। |

## বিকাশৰ স্তৰসমূহ (Stages of Development) :

বিশিষ্ট মনোবিজ্ঞানী আৰু শিক্ষাবিদসকলৰ মাজত বিকাশৰ স্তৰ নিৰ্ধাৰণ কৰাৰ বেলিকা মতবিৰোধ থকা দেখা যায়। তেওঁলোকে বিকাশৰ স্তৰবোৰক নিজস্ব দৃষ্টিভংগীৰে বিভাজিত কৰিছে। দাৰ্শনিক ৰুছো, মনোবিদ আৰ্নেষ্ট জ'নচ, শিক্ষাবিদ ৰেমণ্ট আৰু ৰাইবাৰ্গে আগবঢ়োৱা বিকাশৰ স্তৰবোৰ তলত আলোচনা কৰা হ'ল—

**(ক) ৰুছোৰ বিভাজন (Classification of Rousseau) ঃ** বিখ্যাত প্ৰকৃতিবাদী দাৰ্শনিক আৰু শিক্ষাবিদ ৰুছোৱে তেওঁৰ 'এমিল' (Emile) নামৰ বিখ্যাত গ্ৰন্থখনত মানৱ বিকাশৰ স্তৰবোৰক তলত

দিয়া ধৰণেৰে শ্ৰেণীবিভাজন কৰিছিল—

(i) জন্মৰ পৰা ৫ বছৰ ঃ শৈশৱ কাল
(ii) ৫ ৰ পৰা ১২ বছৰ ঃ বাল্যকাল
(iii) ১২ ৰ পৰা ১৫ বছৰ ঃ ল'ৰালি বা প্ৰাক-কৈশোৰ কাল
(iv) ১৫ ৰ পৰা ২০ বছৰ ঃ বয়ঃপ্ৰাপ্তি বা শেষতীয়া কৈশোৰ কাল।

**(খ) আৰ্নেষ্ট জ'নচৰ শ্ৰেণীবিভাজন (Classification of Earnest Jones) ঃ** বিশিষ্ট মনোবিজ্ঞানী আৰ্নেষ্ট জ'নচে মানুহৰ বিকাশৰ স্তৰবোৰক তলত দিয়া ধৰণেৰে বিভাজিত কৰিছিল।

(i) জন্মৰ পৰা ৫ বছৰ ঃ শৈশৱ কাল
(ii) ৫ ৰ পৰা ১২ বছৰ ঃ বাল্যকাল
(iii) ১২ ৰ পৰা ১৮ বছৰ ঃ কৈশোৰ কাল
(iv) ১৮ বছৰৰ ওপৰৰ ঃ বয়ঃপ্ৰাপ্তি কাল

**(গ) ৰেমণ্টৰ শ্ৰেণীবিভাজন (Classification of Raymont) ঃ** বিশিষ্ট শিক্ষাবিদ টি. ৰেমণ্টে মানৱ বিকাশৰ স্তৰবোৰক পাঁচটা ভাগত ভাগ কৰিছিল। ভাগকেইটা হ'ল—

(i) জন্মৰ পৰা ৩ বছৰ ঃ শৈশৱ কাল
(ii) ৩ ৰ পৰা ৭ বছৰ ঃ পূৰ্ব বাল্যকাল
(iii) ৭ ৰ পৰা ১০/১১ বছৰ ঃ উত্তৰ বাল্যকাল
(iv) ১১/১২ ৰ পৰা ১৪ বছৰ ঃ পূৰ্ব বয়ঃসন্ধি কাল
(v) ১৪ বছৰৰ ওপৰৰ ঃ বয়ঃসন্ধি কাল

**(ঘ) ৰাইবাৰ্ণৰ শ্ৰেণীবিভাজন (Ryburn's Classification) ঃ** শিক্ষাবিদ ৰাইবাৰ্ণে মানুহৰ বিকাশৰ স্তৰবোৰক তলত দিয়া ধৰণেৰে ছয়টা ভাগত ভাগ কৰিছে।

(i) ০ ৰ পৰা ৩ বছৰ ঃ শৈশৱ কাল
(ii) ৩ ৰ পৰা ৬/৭ বছৰ ঃ আগতীয়া বাল্যকাল
(iii) ৬/৭ ৰ পৰা ৮ বছৰ ঃ অৱস্থানৰ প্ৰাপ্তি কাল
(iv) ৮ ৰ পৰা ১২ বছৰ ঃ শেষতীয়া বাল্যকাল
(v) ১২ ৰ পৰা ১৪ বছৰ ঃ আগতীয়া কৈশোৰ কাল
(vi) ১৪ ৰ পৰা ১৮ বছৰ ঃ শেষতীয়া কৈশোৰ কাল

ওপৰৰ শ্ৰেণীবিভাজনবোৰ সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় মানুহৰ বিকাশৰ স্তৰবোৰক প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেয়া হ'ল—শৈশৱ কাল, বাল্যকাল, কৈশোৰ কাল আৰু বয়ঃপ্ৰাপ্তি কাল। এই পাঠ্যপুথিত আমি কৈশোৰ কালৰ মনোবিজ্ঞানৰ বিষয়ে ব্যাপক পৰিসৰত আলোচনা কৰিম।

## কৈশোৰ কালৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Adolescence)

কৈশোৰ কাল হৈছে মানৱ জীৱনৰ বিকাশৰ এক পৰ্যায় যিয়ে এজন ব্যক্তিৰ দৈহিক, আৱেগিক, মানসিক আৰু সামাজিক দিশত পৰিবৰ্তন আনি দিয়ে। এই পৰিবৰ্তনবোৰ ইমান বেছি ফলপ্ৰসূ যে এজন ব্যক্তিক ই সংশোধিত আৰু পৰিপূৰ্ণ কৰি তুলিব পাৰে। নিজ ব্যক্তিত্বৰ কিশোৰ-কিশোৰী সকলে সমাজত নিজকে এজন যোগ্য সদস্যস্বৰূপে গঢ়ি তুলিব বিচাৰে। মানৱ জীৱনৰ সমস্ত বিকাশৰ স্তৰবোৰৰ ভিতৰত কৈশোৰ কালছোৱাক এক অতি গুৰুত্বপূৰ্ণ কাল বুলিব পাৰি। কাৰণ এই সময়ছোৱাত ল'ৰা-ছোৱালীয়ে জীৱনৰ এক নতুন স্তৰত উপনীত হয়। প্ৰাচীন সময়ছোৱাত কৈশোৰ কালৰ বিষয়ে বিশেষ অধ্যয়ন আৰু বিজ্ঞানসন্মত চিন্তাচৰ্চা হোৱা নাছিল। ইয়াৰ ফলত প্ৰাপ্তবয়স্ক আৰু কিশোৰ-কিশোৰীসকলৰ মাজত অপসমাযোজনৰ সৃষ্টি হৈছিল। কৈশোৰ কালছোৱাক বিপদজনক আৰু ধুমুহা আৰু পীড়নৰ সময় বোলা হৈছিল। কিন্তু বৰ্তমান সময়ত কৈশোৰ কালৰ নেতিবাচক চিন্তাধাৰাবোৰৰ পৰিবৰ্তন সাধন কৰা হৈছে। বৰ্তমান মনোবিজ্ঞানীসকলে কৈশোৰ কালৰ বিষয়ে বিভিন্ন চিন্তা-চৰ্চা আৰু পৰীক্ষা-নিৰীক্ষা চলাই বিভিন্ন সদৰ্থক সিদ্ধান্তত উপনীত হৈছে আৰু এই বিকাশৰ স্তৰৰ অধ্যয়নত নতুন দৃষ্টিদান কৰিছে।

কৈশোৰ শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Adolescence' শব্দটো গ্ৰীকভাষাৰ 'Adolescence' শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হৈছে 'to grow to maturity' অৰ্থাৎ বয়ঃপ্ৰাপ্তি কাললৈকে বিকাশ কৰা। মনোবৈজ্ঞানিকসকলৰ মতে কৈশোৰ কাল ১২ বা ১৩ বছৰ বয়সৰ পৰা আৰম্ভ হয়। ল'ৰাতকৈ ছোৱালীৰ কৈশোৰ কাল প্ৰাপ্তি আগতীয়া। তলত মনোবৈজ্ঞানিকসকলে আগবঢ়োৱা কৈশোৰ কালৰ বয়সৰ বিষয়ে উল্লেখ কৰা হ'ল—

ল'ৰা : ১১ ৰ পৰা ১২$\frac{১}{২}$ বা ১৩ বছৰলৈ আগতীয়া কৈশোৰকাল
১৩ ৰ পৰা ১৮ বছৰলৈ মধ্য কৈশোৰকাল
১৮ ৰ পৰা ২১ বছৰলৈ শেহতীয়া কৈশোৰ কাল

ছোৱালী : ১০ ৰ পৰা ১১ বছৰলৈ আগতীয়া কৈশোৰ কাল
১২ ৰ পৰা ১৬ বছৰলৈ মধ্য কৈশোৰকাল
১৭ ৰ পৰা ২০ বা ২১ বছৰলৈ শেহতীয়া কৈশোৰকাল

কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে যৌৱন অৱস্থা লাভ কৰে আৰু বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। এই কালছোৱাত তেওঁলোকে প্ৰজননিক ক্ষমতা লাভ কৰি উঠে। এই স্তৰৰ ল'ৰা-ছোৱালী উভয়কে 'টিন এজাৰচ' (Teen Agers) বুলিও কোৱা হয় কিয়নো এই স্তৰৰ ল'ৰা-ছোৱালীৰ বয়সৰ প্ৰতিটো সংখ্যাৰ শেষত Teen শব্দটো থাকে।

কৈশোৰ কাল সম্বন্ধে মনোবিজ্ঞানীসকলে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। কেতবোৰ সংজ্ঞা ইয়াত

উল্লেখ কৰা হ'ল—

১। মনোবিদ এ. টি. জার্চিল্ড (A. T. Jersild) ৰ ভাষাত "কৈশোৰ কাল হৈছে এনে এক বয়স যাৰ যোগেদি ল'ৰা-ছোৱালীয়ে বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কাললৈ মানসিক, আৱেগিক, সামাজিক আৰু শাৰীৰিকভাৱে গতি কৰে" (Adolescence is that span of years during which boys and girls move from childhood to adulthood, mentally, emotionally, socially and physically)।

২। মনোবিদ কোলে (Cole) ৰ মতে, "দেহৰ সকলো পদ্ধতিৰ বৃদ্ধিৰ কালেই কৈশোৰ কাল" (Adolescence is a period of growth in all systems of the body)।

৩। কৈশোৰ কালৰ সংজ্ঞা প্ৰদান কৰি এ. ডব্লিউ. ৰুটে (A. W. Root) কৈছিল যে, 'বয়ঃসন্ধিকাল হৈছে বিকাশৰ সেই পৰ্যায় যি সময়ত যৌন-অংগৰ পৈণতাপ্ৰাপ্ত হয় আৰু প্ৰজননিক ক্ষমতা লাভ কৰি উঠে। ইয়াৰ লগে লগে ব্যক্তিৰ দৈহিক বিকাশ আৰু মনোবৈজ্ঞানিক প্ৰেক্ষাপটৰ পৰিবৰ্তন সংঘটিত কৰে" (Puberty is that stage in development during which maturation of the sexual apparatus occurs and reproductive capacity is attained. It is accompanied by change in somatic growth and psychological perspective)।

৪। মনোবিজ্ঞানী জ্যা পিয়াজে (Jean Piaget) ৰ মতে, "মনোবৈজ্ঞানিকভাৱে কৈশোৰকাল হৈছে সেই বয়স, যেতিয়া ব্যক্তিয়ে প্ৰাপ্তবয়স্ক ব্যক্তিৰ সমাজৰ লগত সংহতি লাভ কৰে" (Psychologically adolescence is the age when the individuals becomes integrated into the society of adults)।

৫। শিশু মনোবিজ্ঞানী হাৰলকৰ (Hurlock) ৰ মতে, "সামাজিক প্ৰথা অনুসৰি শিশুৰ যৌন-জীৱনৰ পৈণতাপ্ৰাপ্ত হ'বলৈ আৰম্ভ কৰাৰে পৰা ধৰি আইন সংগতভাৱে পৈণতাপ্ৰাপ্ত হোৱালৈকে কৈশোৰ কাল বুলি গণ্য কৰা হয়" (It is customery to regard adolescence as beginning when children become sexually mature and ending when they reach the age of legal maturity)।

৬। ডৰ্থি ৰজাৰচ (Dorthy Rogers) ৰ মতে, কৈশোৰ কাল "এক স্তৰ নহয় বৰং ই এক প্ৰক্ৰিয়া। ই হ'ল সমাজত ফলপ্ৰসূভাৱে অংশ গ্ৰহণ কৰাৰ বাবে প্ৰয়োজনীয় মনোভাৱ আৰু বিশ্বাস আহৰণৰ প্ৰক্ৰিয়া" (A process rather than a period, a process of achieving the attitudes and beliefs needed for effective participation in the society)।

৭। ফাৰনেণ্ড আৰু ফাৰনেণ্ড (Fernald and Fernald) ৰ মতে, "কৈশোৰ কাল হ'ল ল'ৰাৰ বাবে প্ৰায় তেৰৰ পৰা বিশ বছৰ বয়স আৰু ছোৱালীৰ বাবে এক-দুই বছৰ আগুৱাই থকা এক স্তৰ

য'ত ব্যক্তিয়ে গৌণ যৌন বৈশিষ্ট্য আৰু অন্যান্য প্ৰাপ্তবয়স্কৰ সংলক্ষণ আহৰণ কৰে। শাৰীৰিক বা দৈহিক পৰিৱৰ্তনবোৰে স্ব-ধাৰণাৰ লগত সম্বন্ধিত গুৰুত্বপূৰ্ণ মনোবৈজ্ঞানিক পৰিৱৰ্তন কঢ়িয়াই আনে" (Adolescence is a period between ages of approximately thirteen and twenty for boys and one to two years earlier for girls, during which the individual acquires the secondary sex characteristics and other adult traits. The physical changes are accompanied by important psychological changes, relating particularly to the self–concept)।

৮। এম্ব্ৰন (Ambron) ৰ দৃষ্টিভংগীত, "কৈশোৰ কাল হ'ল বাল্যকাল আৰু প্ৰাপ্তবয়স্কসকলৰ মাজৰ জখলা। ই হ'ল যৌন পৰিপক্কতা বৃদ্ধি, এজনৰ প্ৰকৃত সত্বাৰ আৱিস্কাৰ, ব্যক্তিগত মূল্যবোধৰ সংজ্ঞাকৰণ আৰু ব্যক্তি এজনৰ বৃত্তীয় আৰু সামাজিক নিৰ্দেশনা বিচাৰৰ কৰি দ্ৰুত বিকাশ কৰাৰ সময়" (Adolescence is the bridge between childhood and adulthood. It is a time of rapid development of growing to sexual maturity, discovering one's real self, defining personal values, and finding one's vocational and social directions)।

গতিকে কৈশোৰ কালক বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কালৰ মাজৰ অৱস্থান্তৰৰ সময় বুলি ক'ব পাৰি। এই সময়ছোৱাত জৈৱিক, শাৰীৰিক, সামাজিক আৰু জ্ঞানমূলক পৰিৱৰ্তনবোৰ দ্ৰুত গতিত হোৱা দেখা যায়।

## কৈশোৰ কালৰ বৈশিষ্ট্য (Characteristics of Adolescence) :

বিকাশৰ তৃতীয় পৰ্যায়স্বৰূপ কৈশোৰকালৰ কেতবোৰ নিজস্ব বৈশিষ্ট্য আছে। তলত এই বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ল—

(১) দ্ৰুত দৈহিক বিকাশ **(Rapid Physical Development)** : কৈশোৰ কালৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল দ্ৰুত দৈহিক বিকাশ। কিশোৰ-কিশোৰীসকলৰ দেহৰ উচ্চতা আৰু ওজন এই সময়ছোৱাত বাঢ়িবলৈ ধৰে। দেহৰ অন্তঃস্ৰাৱী গ্ৰন্থিসমূহ সক্ৰিয় হৈ উঠাৰ ফলত জৈৱ ৰাসায়নিক ৰসসমূহ নিঃসৰণ হৈ দেহৰ দ্ৰুত গঠন সাধন কৰে। দেহৰ মাংসপেশী, হাড় আদি পূৰঠ আৰু শক্তিশালী হৈ আহে। এই সময়ছোৱাত দেহৰ ওজনতকৈ উচ্চতা বেছি হোৱা দেখা যায়। ল'ৰাৰ স্বৰধ্বনি কৰ্কশ হয় আৰু ক্ৰমে পুৰুষসুলভ মাতৰ গৰাকী হয়। ল'ৰাৰ মুখমণ্ডলত ডাঢ়ি গজিবলৈ ধৰে। ওজন আৰু উচ্চতাৰ ক্ষেত্ৰত এক বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। ১৩ বছৰ বয়সত ছোৱালীৰ উচ্চতা আৰু ওজন ল'ৰাতকৈ অধিক হোৱা দেখা যায় কিন্তু ১৫ বছৰ বয়সত ল'ৰাৰ ওজন আৰু উচ্চতা ছোৱালীতকৈ অধিক হয়। ছোৱালীৰ ক্ষেত্ৰত মাতৰ বিশেষ

পৰিবৰ্তন নহয় বৰং আগৰ দৰেই মিহি আৰু সুশ্ৰাব্য হয়। গাৰ ছাল মিহি হয় আৰু হাতৰ গাঁঠি ঘূৰণীয়া হয়। ছোৱালীৰ স্তনৰ বিকাশ হয় আৰু ১৫ বছৰৰ ভিতৰত অধিকসংখ্যক ছোৱালীয়েই ঋতুমতী হয়। ল'ৰাও বীৰ্যধাৰী হৈ উঠে। ল'ৰা-ছোৱালী উভয়েই প্ৰজনন ক্ষমতা লাভ কৰে। এই বয়সতে তেওঁলোকৰ দেহৰ প্ৰয়োজনীয় অংশত কেশ দেখা দিয়ে। দেহৰ এই পৰিবৰ্তনে তেওঁলোকক আত্মসচেতন কৰি তোলে।

(২) **মানসিক বিকাশ (Mental Physical Development) :** কৈশোৰকালত দৈহিক বিকাশৰ লগে লগে মানসিক শক্তিসমূহৰো বিকাশ হয়। এই সময়ছোৱাত কিশোৰ-কিশোৰীয়ে বিমূৰ্ত চিন্তন (Abstract thinking) কৰাৰ ক্ষমতা আয়ত্ত কৰে। এই সময়ত তেওঁলোকৰ স্মৃতিশক্তি, যুক্তিসহকাৰে বিচাৰ কৰিব পৰা ক্ষমতা (Reasoning power), কল্পনাশক্তি, বুদ্ধি আদিৰ দ্ৰুতভাৱে বিকাশ হয়। যৌৱনকালত ল'ৰা-ছোৱালীবিলাক কল্পনাপ্ৰৱণ হৈ উঠে। বাস্তৱত সম্ভৱ নোহোৱা কিছুমান কামো তেওঁলোকে কল্পনাৰে সম্ভৱ কৰিবলৈ বিচাৰে। গল্প, উপন্যাস, কবিতা আদি অধ্যয়ন কৰি অপাৰ আনন্দ লাভ কৰে। এই বয়সত তেওঁলোকে সমস্যা সমাধান কৰাৰ ক্ষমতাও আহৰণ কৰে। বয়ঃসন্ধি কালৰ অন্য এক বৈশিষ্ট্য হৈছে দিবা স্বপ্ন (Day dreaming)। এই সময়ছোৱাত তেওঁলোকে অলীক কল্পনা কৰি মনত অপাৰ আনন্দ লাভ কৰে। পৰাপক্ষত কিশোৰ-কিশোৰীক বিভিন্ন কামত ব্যস্ত ৰাখিব লাগে।

(৩) **আৱেগিক বিকাশ (Emotional development) :** কৈশোৰকালত ল'ৰা-ছোৱালীয়ে আৱেগিকভাৱে বিকাশ লাভ কৰে। বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিবলৈ লয়। সকলো ল'ৰা-ছোৱালীয়ে অৱশ্যে আৱেগৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব নোৱাৰে। এই সময়ছোৱাত পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে কিছু সাৱধানতাৰে তেওঁলোকৰ লগত আচৰণ কৰিব লাগে যাতে তেওঁলোক অনাহকতে উত্তেজিত হৈ নপৰে। বয়ঃসন্ধি কালত তেওঁলোকে ক্ৰমান্বয়ে আৱেগক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

(৪) **সামাজিক বিকাশ (Social development) :** কৈশোৰ কালতেই ল'ৰা-ছোৱালীয়ে সামাজিকভাৱেও বিকাশ লাভ কৰে। এওঁলোকে সামাজিকভাৱে সচেতন হৈ উঠে। ক্লাব বা কোনো সংগঠনৰ সদস্য হ'বলৈ তেওঁলোকে ভাল পায় আৰু সামাজিক কাম-কাজত অংশ গ্ৰহণ কৰি ভাল পাবলৈ ধৰে। সমাজত তেওঁলোকৰ আচৰণ মাৰ্জিত হয়। বন্ধু-বান্ধৱৰ সংখ্যাৰ ক্ষেত্ৰতো সীমাবদ্ধতা আহি পৰে আৰু বন্ধুত্ব দীৰ্ঘস্থায়ী হয়। এই সময়ছোৱাত তেওঁলোকৰ মনত স্বদেশপ্ৰেম, সামাজিক কাম-কাজ, দুৰ্গতসকলৰ বাবে সহানুভূতি আদি ভাব বৃদ্ধি পায়।

(৫) **বীৰ পূজা (Hero worship) :** বয়ঃসন্ধি কালৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে বীৰ পূজা

বা নায়ক আৰাধনাপ্ৰৱণতা। এই সময়ছোৱাত প্ৰায়বিলাক কিশোৰ-কিশোৰীয়েই কোনো ব্যক্তিৰদ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈ পৰে। এই ব্যক্তিসকল শিক্ষক-শিক্ষয়িত্ৰী, বিখ্যাত খেলুৱৈ, ৰাজনীতিবিদ, বোলছবিৰ নায়ক-নায়িকা, বিখ্যাত লেখক-লেখিকা আদিও হ'ব পাৰে। এই নায়ক-নায়িকাসকলৰ জীৱনৰ আধাৰতে তেওঁলোকেও নিজকে সেই ৰূপত গঢ় দিবলৈ বিচাৰে। সেয়েহে, এই সময়ছোৱাত যাতে কিশোৰ-কিশোৰীসকলে কোনো আদৰ্শ ব্যক্তিৰ সান্নিধ্য লাভ কৰে, সেই দিশত লক্ষ্য ৰাখিব লাগে।

(৬) **আত্মসচেতনতা (Self-consciousness) :** কৈশোৰ কালছোৱাত কিশোৰ-কিশোৰীসকল যথেষ্ট আত্মসচেতন হৈ পৰে। দৈহিক আৰু মানসিক পৰিবৰ্তনেই ইয়াৰ প্ৰধান কাৰণ। নিজৰ সৌন্দৰ্য সম্পৰ্কেও যথেষ্ট সচেতন হয়। নিজকে সুন্দৰ আৰু আকৰ্ষণীয় কৰি তুলিবলৈ যত্নপৰ হয়। নিজৰ দৈহিক ত্ৰুটী সম্বন্ধে সচেতন হয় আৰু সেয়েহে আত্মসমালোচনা কৰাও দেখা যায়।

(৭) **দায়িত্ববোধ আৰু আত্মসন্মানবোধ (Sense of responsibility and self-respect):** কিশোৰ-কিশোৰীৰ মনত এই সময়ছোৱাত দায়িত্ববোধ আৰু আত্মসন্মানবোধৰ উন্মেষ হোৱা পৰিলক্ষিত হয়। কোনো কাম কৰিবলৈ দিলে তাৰ দায়িত্ব বুজি পোৱা হয়। আত্মসন্মানবোধ বঢ়াৰ লগে লগে নিজকে সমাজৰ এজন বুলি ভাবিবলৈ লয়। সেয়েহে, তুচ্ছ-তাচ্ছিল্য, উপহাস, ইতিকিং আদি সহ্য কৰিব নোৱাৰা হয়। মাক-দেউতাকৰ পৰাও নিজৰ অধিকাৰ আৰু আত্মসন্মান আশা কৰা দেখা যায়। এনে আত্মসন্মানৰ পৰা বঞ্চিত হোৱা কিশোৰ-কিশোৰীৰ মনত অপৰাধ-প্ৰৱণতাৰ সৃষ্টি হোৱা দেখা যায়।

(৮) **যৌন-চেতনা (Sex-consciousness) :** বয়ঃসন্ধি কালৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে কিশোৰ-কিশোৰীৰ মনত যৌন-চেতনাৰ উদ্ৰেক। শাৰীৰিকভাৱে সক্ষম হোৱাৰ লগে লগে তেওঁলোকৰ মনত যৌন-চেতনাৰ উদয় হয় আৰু যৌন সম্বন্ধীয় বিষয়ত অধিক কৌতূহলী হয়। অৱশ্যে ইয়াত অস্বাভাৱিক একো নাই। কিন্তু কিশোৰ-কিশোৰীয়ে যাতে অন্যৰ পৰা কোনো ধৰণৰ অসুস্থ শিক্ষা লাভ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এই যৌন-চেতনাৰ বাবেই বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হয়। এই সময়ছোৱাত কিশোৰ-কিশোৰীক খেলা-ধূলা, সংগীত, শৰীৰ চৰ্চা, ব্যায়াম আদিত ব্যস্ত ৰাখিব লাগে।

(৯) **দলীয় ভাবৰ বিকাশ (Development of Group feeling) :** বয়ঃসন্ধি কালত কিশোৰ-কিশোৰীৰ মনত সামাজিকতাৰ মনোভাৱৰ উদ্ৰেক হয় আৰু সেয়েহে, সামাজিক কাম-কাজত অংশ গ্ৰহণ কৰি আনন্দ পায়। তেওঁলোকৰ দল বান্ধি একগোট হৈ কোনো কাম কৰাৰ মানসিকতা গঢ় লৈ উঠে। কিশোৰ-কিশোৰীৰ এই মনোভাৱ ফলপ্ৰসূভাৱে পৰিচালনা কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কৰ্তব্য। ইয়াৰদ্বাৰা তেওঁলোকৰ মনত সহযোগিতা, বন্ধুত্ব, সমন্বয় আদি ভাৱৰ

বিকাশ হয়।

(১০) **দুঃসাহসিকতা (Advanturousness) :** এই বয়সত কিছুমান কিশোৰ-কিশোৰীৰ মনত দুঃসাহসিক কাৰ্য কৰাৰ তীব্ৰ বাসনা জাগে। খৰস্ৰোতা নদীত নাওবোৱা, পৰ্বত বগোৱা, বিপদসংকুল পথেৰে খোজ কঢ়া, চাইকেলেৰে বা খোজকাঢ়ি দূৰ ঠাই ভ্ৰমণ কৰা আদি কাম কৰি তেওঁলোকে অপাৰ আনন্দ লাভ কৰে।

(১১) **আত্মনিৰ্ভৰশীলতা (Self-dependence) :** এই সময়ছোৱাত কিশোৰ-কিশোৰী আত্মনিৰ্ভৰশীল হ'বলৈ যত্নপৰ হয়। নিজৰ লাগতিয়াল কামসমূহ নিজে কৰিবলৈ তেওঁলোকে ভাল পায়। ল'ৰা-ছোৱালীৰ মনত যাতে দায়িত্ববোধৰ লগতে আত্মনিৰ্ভৰশীলতা বৃদ্ধি পায় তাৰ প্ৰতি পিতৃ-মাতৃ আৰু শিক্ষকে লক্ষ্য ৰাখিব লাগে।

(১২) **সৃষ্টিশীল কল্পনা (Creative imagination) :** কল্পনাৰ প্ৰাধান্য কৈশোৰকালৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। এই সময়ছোৱাত তেওঁলোকৰ কল্পনা শক্তিৰ দ্ৰুত বিকাশ হোৱা দেখা যায়। সেয়েহে, তেওঁলোকে কবিতা, গল্প, উপন্যাস, ভ্ৰমণ-কাহিনী আদি পঢ়ি ভাল পায়। বহুতে কবিতা, গল্প আদি লিখিবৰ বাবেও উৎসাহ পায়। সেয়েহে, বিদ্যালয়ত বছৰেকীয়া আলোচনী প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা অতি আৱশ্যকীয়।

## কৈশোৰৰ আচৰণ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব (Need and Importance of studying Adolescent Behaviour) ঃ

মানৱ জীৱনৰ বিকাশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কালছোৱা হ'ল কৈশোৰ কাল। এই কালছোৱাৰ ল'ৰা-ছোৱালীৰ আচৰণ অধ্যয়ণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ। কিয়নো এই সময়ছোৱাত কিশোৰ-কিশোৰীসকলে জীৱনটোক এক নতুন ৰূপত পৰ্যবেক্ষণ কৰে। এই পৰ্যায়ত সিহঁতে প্ৰদৰ্শন কৰা আচৰণৰ ভিত্তিত কিশোৰ-কিশোৰীৰ জীৱন দৰ্শন গঢ় লৈ উঠে। সাধাৰণতে দেখিবলৈ পোৱা যায় যে দেহ-মানসিক পৰিৱৰ্তনৰ ফলস্বৰূপে কিশোৰ-কিশোৰী বিভিন্ন সমস্যাৰো সন্মুখীন হয়। সমস্যাৰ সমাধান কৰাৰ বাবেও কৈশোৰৰ আচৰণ অধ্যয়ন কৰাটো প্ৰয়োজনীয়। তলত কৈশোৰৰ আচৰণ অধ্যয়ণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ কেতবোৰ দিশ আলোচনা কৰা হ'ল—

(১) **জীৱনৰ এক গুৰুত্বপূৰ্ণ সময় (An Important Period of Life) :** ব্যক্তি এজনৰ জীৱন পৰিক্ৰমাৰ এক অতি গুৰুত্বপূৰ্ণ বিকাশৰ স্তৰ হ'ল কৈশোৰ কাল। কৈশোৰকালৰ বিকাশমূলক পৰিৱৰ্তনবোৰ গুৰুত্বপূৰ্ণ কিয়নো এইবোৰে এজন ব্যক্তিৰ আচৰণ, মনোভাৱ আৰু ব্যক্তিত্বত তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী প্ৰভাৱ পেলায়। ইয়াৰ উপৰিও এই পৰিৱৰ্তনে ব্যক্তিৰ

দৈহিক আৰু মানসিক জীৱনকো প্ৰভাৱিত কৰে। দ্ৰুত আৰু গুৰুত্বপূৰ্ণ দৈহিক পৰিবৰ্তনে কিশোৰ-কিশোৰীক নতুন অভিজ্ঞতা প্ৰদান কৰে। এই দ্ৰুত পৰিবৰ্তনৰ লগত সহৱস্থান কৰিবৰ বাবে কিশোৰ-কিশোৰীক মানসিক সমাযোজন, নতুন মূল্যবোধ, মনোভাব আৰু বিশ্বাস আদিৰ প্ৰয়োজন হয়। এই পৰিবৰ্তনৰ সময়ছোৱাত কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰাটো প্ৰয়োজনীয়।

(২) **অৱস্থান্তৰ প্ৰাপ্তি কাল (A Transitional Period of Life) :** কৈশোৰ কাল হ'ল দ্ৰুত দেহ-মানসিক পৰিবৰ্তন সমৃদ্ধ বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কালৰ অৱস্থান্তৰৰ সময়। এই অৱস্থান্তৰৰ বাবে কিশোৰ-কিশোৰীসকলে সিহঁতৰ আচৰণ আৰু মনোভাৱৰ পৰিবৰ্তন কৰিব লাগে। কৈশোৰ কালছোৱা হ'ল বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ককাল লাভৰ অৱস্থান্তৰৰ সময়। এই সময়ছোৱাত কিশোৰ-কিশোৰীসকলে কেনে ভূমিকা গ্ৰহণ কৰিব লাগে সেই সম্বন্ধে সংশয়ত থাকে। কিয়নো শিশুৰ দৰে আচৰণ বা প্ৰাপ্তবয়স্কৰ দৰে আচৰণ এই স্তৰত কৰিব নালাগে এই স্তৰত সিহঁতে এক অনন্য আচৰণ প্ৰদৰ্শন কৰিব লাগে। ঘৰত মাক-দেউতাক আৰু শিক্ষানুষ্ঠানত শিক্ষকসকলে কিশোৰ-কিশোৰীৰ অৱস্থান্তৰ কালৰ অনন্য আচৰণ অধ্যয়ন কৰিব লাগে।

(৩) **দ্ৰুত পৰিবৰ্তনৰ সময় (A Period of Rapid Change) :** কৈশোৰ কাল হ'ল দ্ৰুত পৰিবৰ্তনৰ সময়। দৈহিক পৰিবৰ্তনৰ দ্ৰুততা মনোভাব আৰু আচৰণতো পৰিলক্ষিত হয়। দ্ৰুত পৰিবৰ্তনে কিশোৰ-কিশোৰীৰ আচৰণক প্ৰভাৱিত কৰে। সেয়েহে পৰিবৰ্তনে কিদৰে সিহঁতৰ আচৰণক প্ৰভাৱিত কৰিলে তাক জনাৰ বাবে সিহঁতৰ আচৰণ অধ্যয়ণ কৰা প্ৰয়োজন। কৈশোৰ কালত দ্ৰুত পৰিবৰ্তন সংঘটিত হোৱা কেইটামান ক্ষেত্ৰ হ'ল—

(i) দ্ৰুত পৰিবৰ্তন সংঘটিত হোৱা কৈশোৰকালৰ এক ক্ষেত্ৰ হ'ল আৱেগিক দিশ। এই সময়ছোৱাত যুৱক-যুৱতীৰ মনত আৱেগ-অনুভূতিৰ পয়োভৰ হয়।

(ii) যৌন গ্ৰন্থিৰ দ্ৰুত বিকাশে কিশোৰ-কিশোৰীসকলক এই স্তৰত বিভ্ৰান্ত কৰি তোলে। তেওঁলোকে এই সময়ছোৱাত প্ৰজননিক ক্ষমতা লাভ কৰি উঠে।

(iii) কিশোৰ-কিশোৰীসকলৰ আগ্ৰহ আৰু সমাজত গ্ৰহণ কৰিবলগীয়া ভূমিকাও সিহঁতক সমস্যাৰ সন্মুখীন কৰায়। এই সমস্যা সমাধান কৰাটো এক জটিল কাম।

(iv) আগ্ৰহ আৰু আচৰণৰ পৰিবৰ্তনে কিশোৰ-কিশোৰীৰ মূল্যবোধৰো পৰিবৰ্তন কৰায়। বাল্যকালৰ গুৰুত্বপূৰ্ণ মূল্যবোধবোৰ কৈশোৰ কালৰ বাবে গুৰুত্বপূৰ্ণ নহয়।

(৪) **বিপৰীত লিংগকামিতাৰ সময় (Period of Hetero-Sexuality) :** কৈশোৰ কালছোৱাক বিপৰীত লিংগকামিতাৰ সময় বুলি কোৱা হয় আৰু শৈশৱৰ আত্মকাম আৰু বাল্যকালৰ সমকাম

ভাৱ এই স্তৰত বিপৰীত লিংগকাম ভাৱলৈ পৰিবৰ্তন হয়। বিপৰীত লিংগৰ ব্যক্তিৰ প্ৰতি কামনা, আসক্তি আৰু ভালপোৱাভাৱে কিশোৰ-কিশোৰীক পীড়িত কৰে। এই পীড়ন আৰু যৌন তাড়নাই সিহঁতৰ ব্যক্তিগত আৰু সামাজিক জীৱনত সমাযোজনৰ সমস্যাৰ সৃষ্টি কৰে। এই সমস্যা সমাধান কৰাৰ বাবেও কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰা প্ৰয়োজন।

(৫) **সমস্যাৰ সময় (Problem Age) :** বিকাশৰ অন্য স্তৰৰ তুলনাত কৈশোৰ কালত ল'ৰা-ছোৱালী জটিল সমস্যাৰ সন্মুখীন হয়। ইয়াৰ কাৰণ হ'ল শৈশৱ আৰু বাল্যকালত ল'ৰা-ছোৱালীৰ সমস্যাবোৰ মাক-দেউতাক আৰু প্ৰাপ্তবয়স্কসকলে সমাধান কৰে আৰু সেয়েহে সমস্যা সমাধানৰ ক্ষেত্ৰত কিশোৰ-কিশোৰীসকল অনভিজ্ঞ হৈ থাকে। যিহেতু কিশোৰ-কিশোৰীসকল স্বাধীনতা প্ৰিয় গতিকে মাক-দেউতাক বা আনৰ সহায় অবিহনে স্বাধীনভাৱে সমস্যা সমাধান কৰিব বিচাৰে। সমস্যা সমাধান কৰাৰ বেলিকা সিহঁত বিভিন্ন জটিলতাৰ সন্মুখীন হয়। কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণৰ যোগেদি সমস্যা সমাধানৰ ক্ষেত্ৰত সন্মুখীন হোৱা জটিলতা আৰু সমস্যাৰ সমাধানে মনত দিয়া আনন্দ উপলব্ধি কৰিব পৰা যায়।

(৬) **আত্মসত্বা চিনাক্তকৰণ আৰু আত্মনিৰ্ভৰশীলতাৰ সময় (Time for Search for Identity and Self Dependence) :** শেহতীয়া বাল্যকালৰ সময়ছোৱাৰ পৰা ল'ৰা-ছোৱালীয়ে আত্মসত্তা চিনাক্ত কৰিব বিচাৰে। এইক্ষেত্ৰত সিহঁতে সমনীয়াৰ সাজপাৰ, কথা বতৰা আৰু আচৰণ আদি পৰ্যবেক্ষণ কৰে। এই চিনাক্তকৰণ কাৰ্য কৈশোৰ কালৰ আৰম্ভণিৰ সময়লৈ থাকে। এই সময়ছোৱাত সিহঁতে নিজক স্বনিৰ্ভৰশীল কৰি গঢ়ি তুলিব বিচাৰে আৰু আনৰ মনোযোগ নিজৰ প্ৰতি আকৰ্ষণ কৰিব বিচাৰে আৰু স্বীকৃতি লাভ কৰিব বিচাৰে। নিজক চিনাক্তকৰণ আৰু প্ৰতিষ্ঠিত কৰাৰ বেলিকা কিশোৰ-কিশোৰীয়ে কেনে ধৰণৰ আচৰণ প্ৰদৰ্শন কৰে সেয়া অধ্যয়ন কৰাটো প্ৰয়োজনীয়।

(৭) **বীৰপূজাৰ সময় (Time of Hero-Worshipping) :** কৈশোৰ কালত প্ৰত্যেক ল'ৰা-ছোৱালীয়ে কোনোবা ব্যক্তিক আদৰ্শ হিচাপে লৈ তেওঁক মনেৰে প্ৰশংসা আৰু শ্ৰদ্ধা কৰিবলৈ আৰম্ভ কৰে। কিশোৰ-কিশোৰীয়ে বিভিন্ন স্থানত নিজৰ বীৰ-বীৰাংগনাক আৱিষ্কাৰ কৰি লয়। কোনোবাই বুৰঞ্জীৰ পাতত থকা ৰজা-ৰাণীৰ মাজত, কোনাবাই শিক্ষক-শিক্ষয়ত্ৰীৰ মাজত, কোনোবাই পৰিয়ালৰ ব্যক্তিৰ মাজত, কোনোবাই বোলছবিৰ তাৰকাৰ মাজত বা খেলুৱৈৰ মাজত নিজৰ বীৰ-বীৰাংগনা বিচাৰি পায়। এই বীৰ-বীৰাংগনাৰ সকলো ভাৱ-চিন্তা আৰু ক্ৰিয়া নীৰৱে অনুকৰণ কৰি নিজৰ জীৱনক তেনে ৰূপত সিহঁতে গঢ়ি তুলিবলৈ বিচাৰে। বীৰপূজাৰ প্ৰবৃত্তিৰ

যোগেদি কিশোৰ-কিশোৰীয়ে নিজৰ আচৰণ কিদৰে বিকশাই তুলিব পাৰে সেয়া জানিবৰ বাবেও কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰা প্ৰয়োজন।

(৮) **আতংকৰ সময় (A Dreaded Age) :** মনোবৈজ্ঞানিকসকলে পৰ্যবেক্ষণ কৰে যে কিশোৰ-কিশোৰীসকলৰ জনপ্ৰিয় ধাৰণাবোৰে সিহঁতক নেতিবাচক হিচাপে মূল্যায়ণ কৰে। সাংস্কৃতিক পূৰ্বনুমানেৰেও কিশোৰ কিশোৰীক অনিৰ্ভৰশীল হিচাপে গণ্য কৰা হয়। ইয়ে সিহঁতক আতংকিত আৰু ভীতিগ্ৰস্থ কৰি তোলে। এই ক্ষেত্ৰত প্ৰাপ্তবয়স্ক ব্যক্তিসকলে সিহঁতক নিৰ্দেশনা প্ৰদান কৰিব লাগে আৰু সিহঁতৰ মনোভাৱ বিকশাই তোলাৰ চেষ্টা কৰিব লাগে। জনপ্ৰিয় আৰু নেতিবাচক পূৰ্বনুমানে কিশোৰ-কিশোৰীৰ আত্ম-ধাৰণা আৰু মনোভাৱকো প্ৰভাৱিত কৰে। যেতিয়া কিশোৰ-কিশোৰীয়ে সমাজত প্ৰচলিত পূৰ্বনুমানবোৰ গ্ৰহণ কৰে তেতিয়া সিহঁতে নিজক প্ৰাপ্তবয়স্ক কাললৈ ৰূপান্তৰ কৰিব নোৱাৰে। সেয়েহে কিশোৰ-কিশোৰীৰৰ মনোভাৱৰ পৰিৱৰ্তন কৰিবৰ বাবেও সিহঁতৰ আচৰণ অধ্যয়ন কৰাটো প্ৰয়োজনীয়।

(৯) **অবাস্তৱ বা দিবাস্বপ্নৰ সময় (Time of Unrealism or fantasy) :** কৈশোৰ কালৰ মনো-দৈহিক পৰিৱৰ্তনে ল'ৰা-ছোৱালীৰ জীৱনত ৰঙীন পৰিবৰ্তন আনি দিয়ে আৰু সিহঁতে এখন কল্পনাৰ পৃথিৱীত বসবাস কৰিব বিচাৰে। সিহঁতে নিজকে বাস্তৱতকৈ পৃথকভাৱে চায়। সিহঁতৰ আকাংক্ষাবোৰ অবাস্তৱ আৰু ইয়ে সিহঁতক আৱেগিকভাৱে বিকশাই তোলে। কিন্তু যেতিয়া সিহঁতে বাস্তৱ পৃথিৱীৰ কঠোৰতাৰ সন্মুখীন হয় তেতিয়া অবাস্তৱ পৃথিৱীত থকা ল'ৰা-ছোৱালীবোৰ সমস্যাৰ সন্মুখীন হয়। ইয়ে সিহঁতক খঙাল আৰু হতাশ কৰি তোলে। সিহঁতক অবাস্তৱ পৃথিৱীৰ পৰা আঁতৰাই আনিবৰ বাবে আৰু বাস্তৱ পৃথিৱীৰ লগত প্ৰায়োগিকভাৱে চিনাকী কৰাই দিবৰ বাবে কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰা প্ৰয়োজন।

গতিকে ক'ব পাৰি যে কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ বিভিন্ন সমস্যাবোৰ আঁতৰ কৰিবৰ বাবে আৰু সিহঁতৰ জীৱনটোক সৎ পথেৰে আগুৱাই নিবৰ বাবে কিশোৰ-কিশোৰীসকলৰ আচৰণ অধ্যয়ণ কৰাটো মাক-দেউতাক, অভিভাৱক, শিক্ষক, মনোবিজ্ঞানী তথা সমাজৰ অন্যান্য লোকসকলৰ বাবে প্ৰয়োজনীয়।

## কৈশোৰ কালৰ লক্ষ্যসমূহ (Goals of Adolescence) ঃ

অভিৰোচনৰ তত্ত্ব অনুসৰি মানৱৰ আচৰণবোৰ মূলতঃ লক্ষ্য প্ৰণোদিত। লক্ষ্য হৈছে এক প্ৰাসংগিক মান যাৰ লগত আমাৰ আচৰণ বা বৰ্তমান অৱস্থাক তুলনা কৰা হয়। শিক্ষণৰ পূৰ্ব অভিজ্ঞতা, ব্যক্তিৰ বৈশিষ্ট্য আৰু পৰিৱেশৰ সুবিধা আৰু সমস্যাৰ ভিত্তিত ব্যক্তিগত লক্ষ্যবোৰ গঢ় দিয়া হয়। পৰিৱেশ

আৰু সুযোগৰ ভিত্তিতে কিশোৰ-কিশোৰীসকলে লক্ষ্য গঠন কৰে আৰু উপনীত হ'বলৈ পৰিকল্পনা কৰে। প্ৰাপ্তবয়স্কসকলৰ তুলনাত কিশোৰ-কিশোৰীসকলৰ লক্ষ্যবোৰ পৃথক আৰু একক।

মনোবৈজ্ঞানিক এৰিকচন (Erikson) ৰ মতে, কৈশোৰ কালৰ লক্ষ্যবোৰ হ'ল—

(ক) সংগতিপূৰ্ণ পৰিচয় গঠন কৰা,

(খ) বিপৰীত লিংগৰ সদস্যৰ লগত এক আন্তৰিক সম্বন্ধ গঠন কৰা,

(গ) পিতৃ-মাতৃৰ লক্ষ্যৰ প্ৰতি আগ্ৰহ কৰা, আৰু

(ঘ) সমনীয়া দলৰ পৰা স্বাধীন হোৱা।

আকৌ আন এগৰাকী মনোবৈজ্ঞানিক হেভিঘাৰ্ষ্ট, আৰ (Havighurst, R) ৰ মতে কৈশোৰ কালৰ কেইটা বিকাশমূলক কাৰ্য হ'ল—

(ক) দুয়ো লিংগৰ বন্ধুৰ লগত একেলগে থাকিবলৈ শিকা,

(খ) নিজৰ শৰীৰক গ্ৰহণ কৰা আৰু তাক সুস্থ কৰি ৰখা,

(গ) অধিক স্বয়ংসম্পূৰ্ণ হোৱা,

(ঘ) বিবাহ আৰু পৰিয়াল জীৱনৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা

(ঙ) জীৱিকাৰ উপায়ৰ বাবে নিজকে প্ৰস্তুত কৰা,

(চ) নিজ আচৰণক নিৰ্দেশনা প্ৰদানৰ বাবে মূল্যবোধ গ্ৰহণ কৰা,

(ছ) সামাজিকভাৱে দায়িত্বশীল হোৱা।

হেভিঘাৰ্ষ্টে আগবঢ়োৱা বিকাশমূলক কাৰ্যকেইটা গভীৰভাৱে উপলব্ধি কৰিলেও কৈশোৰ কালৰ লক্ষ্য সম্বন্ধে উপলব্ধি কৰিব পৰা যায়।

কৈশোৰ কালৰ কেতবোৰ সাধাৰণ লক্ষ্য তলত দিয়া ধৰণেৰে বৰ্ণনা কৰিব পাৰি।

(১) **আত্মসন্মান আৰু আত্মমৰ্যদা (Self Respect and Self Esteem) :** বিকাশৰ এই পৰ্যায়ত কিশোৰ-কিশোৰীৰ লক্ষ্য হ'ল আত্মসন্মান লাভ কৰা আৰু সমাজত আত্ম মৰ্যদা প্ৰতিষ্ঠা কৰা। এই সময়ছোৱাত সিহঁতৰ মনত দায়িত্ববোধ আৰু আত্ম সন্মানবোধৰ উন্মেষ হোৱা পৰিলক্ষিত হয়। আত্মসন্মানবোধ বঢ়াৰ লগে লগে নিজকে সমাজৰ এজন বুলি ভাবিবলৈ লয়। সমাজৰ অন্যান্য লোকসকলৰ সন্মুখত নিজৰ মান-সন্মান প্ৰতিষ্ঠাৰ বাবে কিশোৰ-কিশোৰীসকল সদায় সজাগ হৈ থাকে। কোনো কাম কৰিবলৈ দিলে সিহঁতে দায়িত্ব বুজি পোৱা হয়।

(২) **আত্ম নিৰ্ভৰশীলতা (Self-dependency) :** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ আন এক লক্ষ্য হ'ল আত্ম নিৰ্ভৰশীলতা বিকশাই তোলা। এই বয়সত ল'ৰা-ছোৱালীয়ে আনৰ ওপৰত নিৰ্ভৰ নকৰি নিজে নিজৰ সকলো কাম কৰাৰ মানসিকতাই গঢ় লয়। সিহঁতে নিজৰ শক্তি, সামৰ্থৰ ওপৰত আত্মবিশ্বাসী হৈ উঠে। এই সময়ছোৱাত ল'ৰা-ছোৱালীয়ে ভৱিষ্যতে কেনেকৈ স্বাধীনভাৱে উপাৰ্জন কৰিব পাৰিব, কেনেকৈ আত্ম-নিৰ্ভৰশীল হ'ব পাৰিব তাৰ চিন্তা কৰে।

তেওঁলোকে অধিক উপাৰ্জনক্ষম হৈ সমাজত নিজকে প্ৰতিষ্ঠা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(৩) **সামাজিক সচেতনতা বৃদ্ধি (Developing Social Consciousness) :** কৈশোৰ কালত ল'ৰা-ছোৱালীৰ সামাজিক সচেতনতা ভাৱ বৃদ্ধি পায়। সিহঁতে এই সময়ছোৱাত নিজৰ জীৱনটোক সামাজিক দায়বদ্ধতাত সামৰি ল'ব বিচাৰে। কোনো কোনো ক্ষেত্ৰত নিজৰ জীৱনটো সমাজৰ বাবে বলিদান দিবলৈও কুণ্ঠাবোধ নকৰে। সমাজ ব্যৱস্থাৰ লগত উপযুক্তভাৱে খাপ খাই নিজকে সমাজৰ উপযুক্ত ব্যক্তি হিচাপে চিনাকী দিবলৈ বিচাৰে। সমাজৰ অন্যায়, ব্যভিচাৰ আদিৰ বাবে ল'ৰা-ছোৱালীয়ে প্ৰতিবাদ কৰে। এইদৰে সমাজৰ কাম কৰি সিহঁতে সমাজৰ পৰা স্বীকৃতি আৰু প্ৰশংসাও পাব বিচাৰে।

(৪) **অসুস্থ অভ্যাস আৰু আচৰণ পৰিহাৰ কৰা (Decrease Un-health Habits and Behaviours) :** কৈশোৰ কালৰ আন এক লক্ষ্য হ'ল ল'ৰা-ছোৱালীৰ অসুস্থ অভ্যাস আৰু আচৰণবোৰ পৰিহাৰ কৰা। কৈশোৰ কালছোৱা হ'ল স্থানান্তৰৰ সময় আৰু এই কালছোৱা অতিক্ৰম কৰিয়েই কিশোৰী-কিশোৰীসকলে প্ৰাপ্তবয়স্ক কাল লাভ কৰে। গতিকে প্ৰাপ্তবয়স্ক কালত যাতে সিহঁতে অসুস্থ অভ্যাস আৰু আচৰণবোৰ অনুশীলন কৰিব নালাগে তাৰ বাবে সেইবোৰ পৰিহাৰ কৰাৰ ব্যৱস্থা কৈশোৰ কালতে কৰিব লাগে।

(৫) **সৃজনশীল ধাৰণাৰ বিকাশ (Development of Creative Concept) :** কৈশোৰ কালৰ এক প্ৰধান লক্ষ্য হ'ল ল'ৰা-ছোৱালীৰ সৃজনশীল ধাৰণাৰ বিকাশ কৰা। এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ মনত সৃজনশীল ধাৰণাৰ উদয় হয়। কিবা এটা নতুন বা অভিনৱ সৃষ্টি কৰাৰ মানসিকতা তেওঁলোকে পুহি ৰাখে। ল'ৰা-ছোৱালীয়ে কবিতা, গল্প, নৃত্য, শিল্পকলা, নাটক, অভিনয়, উপন্যাস আদিৰ দৰে মৌলিক সৃষ্টি কৰিবলৈ চেষ্টা কৰে। বহুত ক্ষেত্ৰত তেওঁলোক সফল হোৱাও দেখা যায়। গতিকে কৈশোৰ কালছোৱাত ল'ৰা-ছোৱালীৰ সৃজনশীল ধাৰণাৰ বিকাশত গুৰুত্ব দিব লাগে।

(৬) **জীৱন-দৰ্শন গঢ়ি তোলা (Development of Ideal of Life) :** এই সময়ছোৱাত কিশোৰ-কিশোৰীৰ আন এক লক্ষ্য হ'ল নিজৰ জীৱন দৰ্শন গঢ়ি তোলা বিকশাই তোলা। এই সময়চোৱাত ল'ৰা-ছোৱালীয়ে জীৱনৰ অৰ্থ, প্ৰয়োজন, সাৰ্থকতা, সৃষ্টিৰ ৰহস্য আদি বিষয়বোৰৰ প্ৰতি কৌতুহলী হৈ উঠে। এইবোৰ ধাৰণাই তেওঁলোকৰ মনত জীৱন-দৰ্শন গঢ়ি তোলাত অৰিহণা যোগায়। তেওঁলোকে যাতে উপযুক্ত জীৱনদৰ্শন গঢ়ি তুলিব পাৰে তাৰ বাবে শিক্ষক আৰু অভিভাৱকে সতৰ্ক সৃষ্টি ৰখাৰ লগতে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৭) **নেতৃত্ব প্ৰদান (Leadership) :** কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ আন এক লক্ষ্য হ'ল নেতৃত্ব প্ৰদান কৰা। সমাজৰ বিভিন্ন স্থানত নেতৃত্ব প্ৰদানৰ হেঁপাহ বহুতো কিশোৰ-কিশোৰীয়ে পুহি ৰাখে। নেতৃত্ব প্ৰদান কাৰ্যৰ যোগেদি তেওঁলোকে সমাজৰ বিভিন্ন সমস্যাবোৰ সমাধান কৰিব বিচাৰে। সমতা, ভ্ৰাতৃত্ব, ন্যায় আদি আদৰ্শবোৰৰ যোগেদি তেওঁলোকে সমাজখনক সমস্যামুক্ত কৰিব বিচাৰে। কিশোৰ কিশোৰীয়ে যাতে নেতৃত্ব প্ৰদানৰ গুণবোৰ উপযুক্তভাৱে বিকশাই তুলিব পাৰে তাৰ বাবে শিক্ষক আৰু অভিভাৱকসকলে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৮) **ভৱিষ্যতৰ বাবে সদৰ্থক দৃষ্টিভংগী লাভ (Gain Positive Outlook on the Future) :** কৈশোৰ কালৰ আন এক লক্ষ্য হ'ল ভৱিষ্যতৰ বাবে সদৰ্থক দৃষ্টিভংগী লাভ কৰা। ভৱিষ্যত জীৱনটো যাতে কিশোৰ-কিশোৰীৰ বাবে সুখ, শান্তি আৰু সমৃদ্ধিশীল হয় তাৰ বাবে এই কালছোৱাত সিহঁতৰ মনত ভৱিষ্যতৰ বাবে ইতিবাচক দৃষ্টিভংগীৰ বীজ ৰোপণ কৰিব লাগে। এই লক্ষ্য সফল কৰি তোলাত শিক্ষক আৰু অভিভাৱকসকলে গুৰু দায়িত্ব পালন কৰিব লাগে।

## কৈশোৰৰ প্ৰয়োজন বা চাহিদাসমূহ (Needs of Adolescence) ঃ

কৈশোৰ কালছোৱাত ল'ৰা-ছোৱালীয়ে পূৰ্বতে নোপোৱা কেতবোৰ নতুন দেহ-মানসিক তাড়না অনুভৱ কৰে। এই তাড়নাৰ বাবেই কৈশোৰ কালত ল'ৰা-ছোৱালীৰ প্ৰয়োজন বা চাহিদা বৃদ্ধি পায়। কৈশোৰ কালৰ কেতবোৰ প্ৰয়োজন হ'ল—

(১) **দৈহিক প্ৰয়োজন (Physical Need) :** কিশোৰ-কিশোৰীৰ দৈহিক বৰ্ধনৰ বাবে এই কালছোৱাত খাদ্যৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও দেহৰ গঠন সুন্দৰ আৰু আকৰ্ষণীয় কৰি তুলিবৰ বাবে আৰু অংগ-প্ৰত্যংগৰ কৰ্মদক্ষতা বৃদ্ধি কৰিবৰ বাবে কিশোৰ-কিশোৰীক শৰীৰ-চৰ্চাৰ প্ৰয়োজন। দৈহিক সৌন্দৰ্যতা বৃদ্ধিৰ বাবে আৰু নিজকে আকৰ্ষণীয় ৰূপত প্ৰতিষ্ঠা কৰিবৰ বাবে সাজ-পোছাকৰ প্ৰয়োজনৰ প্ৰতিও বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে।

(২) **সামাজিক প্ৰয়োজন (Social Needs) :** এই কালছোৱাত ল'ৰা-ছোৱালীয়ে সামাজিক স্বীকৃতি বিচাৰে আৰু সমাজৰ এজন সদস্য হিচাপে কাৰ্য নিৰ্বাহ কৰিব বিচাৰে। সমাজত নিজৰ স্থান, স্বীকৃতি, প্ৰশংসা, অধিকাৰ, দায়িত্ব আদি পালনৰ প্ৰয়োজন কিশোৰ-কিশোৰীয়ে অনুভৱ কৰে। বিভিন্ন ধৰণৰ সামাজিক কাম-কাজত অংশ গ্ৰহণ কৰি ল'ৰা-ছোৱালীয়ে আনন্দ লাভ কৰা দেখা যায়। ইয়াৰ বাবে ল'ৰা-ছোৱালীয়ে বিভিন্ন সামাজিক বা সাংস্কৃতিক অনুষ্ঠান, হবি ক্লাব, সংগঠন আদিৰ সদস্যভুক্ত হয়।

(৩) **যৌন তৃপ্তিৰ প্ৰয়োজন (Need of Sex) :** এই সময়ছোৱাত সুপ্ত হৈ থকা যৌনভাৱৰ বিকাশ হয় আৰু সেয়েহে কিশোৰ-কিশোৰীৰ মনত যৌন ভাৱৰ উদ্ৰেক হয়। বিপৰীত লিংগৰ মনোগ্ৰাহী ব্যক্তিৰ প্ৰতি অনুভৱ কৰা যৌন আকৰ্ষণৰ বাবে ল'ৰা-ছোৱালী পৰস্পৰৰ প্ৰতি অধিক আকৃষ্ট হয়। যৌন সম্পৰ্কীয় দিশবোৰৰ প্ৰতি কৌতুহলী হৈ উঠে আৰু তেওঁলোক অধিক যৌন সচেতন হৈ উঠে। যৌন তৃপ্তিৰ প্ৰয়োজন সু পথেৰে পৰিচালিত কৰি উন্নীতকৰণ কৰিব লাগে আৰু সাহিত্য, সংগীত, চিত্ৰকলা আদিৰ মাধ্যমেৰে এই প্ৰয়োজনবোৰ প্ৰশমিত কৰিব লাগে।

(৪) **বৌদ্ধিক প্ৰয়োজন (Intellectual Needs) :** এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ মানসিক শক্তি ক্ষমতাবোৰৰ পৈণতা লাভৰ বাবে বৌদ্ধিক প্ৰয়োজন অনুভৱ কৰা হয়। ল'ৰা-ছোৱালীৰে চিন্তা, যুক্তি সমস্যা সমাধান ক্ষমতা, কল্পনা শক্তি, বোধশক্তি, বুদ্ধি, সৃজনশীলতা আদি গঠনাত্মকভাৱে বিকাশৰ প্ৰয়োজন হয়। ইয়ে তেওঁলোকক নতুন জ্ঞান আহৰণৰ বাবে আগ্ৰহী কৰে। তেওঁলোকে যাতে বিদ্যালয়ত সাহিত্য, সংগীত, প্ৰযুক্তিবিদ্যা, দৰ্শন, ইতিহাস আদি বিষয়ৰ জ্ঞান আহৰণৰ সুবিধা পায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

(৫) **স্বাধীনতাৰ প্ৰয়োজন (Need of Freedom) :** কৈশোৰ কালত হোৱা দেহ-মানসিক পৰিবৰ্তনৰ ফলস্বৰূপে ল'ৰা-ছোৱালীবোৰে স্বাধীন হ'বলৈ বিচাৰে। ঘৰুৱা আৰু বিদ্যালয়ৰ বন্ধনৰ পৰা মুক্ত হৈ এজন সামাজিক ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব বিচাৰে। যিকোনো সমস্যা সমাধানৰ বাবে স্বাধীনতা বিচাৰে আৰু নিজৰ কোনো কামতে হস্তক্ষেপ নিবিচাৰে। আত্ম বিশ্বাস আৰু আত্মনিৰ্ভৰশীল মনোভাৱেৰে নিজৰ ভাৱ অনুভূতি কিশোৰ-কিশোৰীয়ে প্ৰকাশ কৰিব বিচাৰে।

(৬) **জীৱন-দৰ্শনৰ প্ৰয়োজন (Need of Philosophy of Life) :** এই কালছোৱাত ল'ৰা-ছোৱালী জীৱনৰ অৰ্থ, প্ৰয়োজন, সৃষ্টিৰ ৰহস্য আদিৰ প্ৰতি কৌতুহলী হৈ থাকে। এই কৌতুহলৰ ভিত্তিত তেওঁলোকে নিজৰ জীৱন দৰ্শন গঢ় দি তুলিবলৈ বিচাৰে। ইয়াৰ বাবে প্ৰেৰণা যোগাব পৰা আদৰ্শ ব্যক্তি বাচি লবলৈ আৰু এই ব্যক্তিৰ আদৰ্শ অনুসৰি নিজৰ ভাব-অনুভূতি আৰু আচৰণ গঢ়ি তুলিবলৈ বিচাৰে। ল'ৰা-ছোৱালীয়ে উপযুক্ত জীৱন দৰ্শন গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকসকলে সতৰ্ক দৃষ্টি ৰাখিব লাগে আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৭) **আত্ম-নিৰ্ভৰশীলতাৰ প্ৰয়োজন (Need of Self Dependence) :** এই সময়ছোৱাত ল'ৰা-ছোৱালীয়ে অৰ্থনৈতিক স্বাৱলম্বিতা লাভৰ বাবে প্ৰয়োজন অনুভৱ কৰে। ভৱিষ্যতে কেনেকৈ স্বাধীনভাৱে উপাৰ্জন কৰিব পাৰিব, কেনেকৈ আত্মনিৰ্ভৰশীল হ'ব পাৰিব আদিৰ বিষয়ে কিশোৰ-কিশোৰীয়ে চিন্তা কৰে। তেওঁলোকে অধিক উপাৰ্জনক্ষম হৈ সমাজত নিজক প্ৰতিষ্ঠা কৰাৰ

ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সেয়েহে শিক্ষা উদ্দেশ্যধৰ্মী, প্ৰায়োগিক আৰু উৎপাদনশীল হৈ উঠাটো বিচাৰে। শিক্ষানুষ্ঠানতে যাতে ল'ৰা-ছোৱালীয়ে উপযুক্ত বৃত্তি বাচনি কৰিব পাৰে তাৰ বাবে শিক্ষকে বৃত্তীয় নিৰ্দেশনা প্ৰদান কৰিব লাগে।

(৮) **নৈতিক প্ৰয়োজন (Moral Needs) :** কৈশোৰ কালত ল'ৰা-ছোৱালীবোৰ ভাল-বেয়া, উচিত-অনুচিত, শুদ্ধ-অশুদ্ধ আদি দিশবোৰৰ প্ৰতি সচেতন হৈ উঠে। ইয়াৰ আগৰ সময়ছোৱাত এই নৈতিক দিশবোৰৰ প্ৰতি ল'ৰা-ছোৱালী সচেতন হৈ নাথাকে। নিজৰ তথা আনৰ সকলোবোৰ কামেই নৈতিকতাৰ দৃষ্টিভংগীৰে কৰিবলৈ বিচাৰে আৰু কেতিয়াবা নীতিবিৰোধী কাম কৰিব লগা হ'লে অপৰাধবোধত ভোগা দেখা যায়। এনে নৈতিকবোধৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকৰ ভৱিষ্যত নৈতিক জীৱন গঢ়ি উঠে।

## কৈশোৰ অধ্যয়ণৰ পদ্ধতি (Methods of Adolescent's Study) ঃ

কৈশোৰ আচৰণ অধ্যয়ণৰ বাবে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়, কিন্তু কোনো এটা পদ্ধতিয়ে সম্পূৰ্ণ সফল নহয়। সেয়ে কিশোৰ-কিশোৰীৰ বিভিন্ন তথ্য সংগ্ৰহৰ বাবে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়। যেনে—

### (১) পৰ্যবেক্ষণ পদ্ধতি (Observation Method) :

পৰ্যবেক্ষণ পদ্ধতিৰে কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰা হয় যদিও এই পদ্ধতি সুবিধাজনক নহয় কিয়নো কিশোৰ-কিশোৰীয়ে তেওঁলোকৰ কাৰ্য কলাপবোৰ গোপণে ৰাখিবলৈ প্ৰয়াস কৰে। যেতিয়া তেওঁলোক জ্ঞাত হয় যে তেওঁলোকৰ আচৰণবোৰ অধ্যয়ণ কৰি আছে, তেতিয়া তেওঁলোকে প্ৰকৃত আচৰণ অধ্যয়ণৰ সময়ছোৱাত পৰিত্যাগ কৰে।

### (২) প্ৰশ্নাৱলী পদ্ধতি (Questionnaire Method) :

কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ণ কৰিবৰ বাবে প্ৰশ্নাৱলী পদ্ধতি ব্যৱহাৰ কৰা হয় যদিও এই পদ্ধতিও সম্পূৰ্ণ সুবিধাজনক নহয়। যেতিয়া তেওঁলোকক প্ৰশ্নাৱলীত লিখিতভাৱে প্ৰতিক্ৰিয়া প্ৰদান কৰিবলৈ দিয়া হয় তেতিয়া সিহঁতে যিবোৰ উত্তৰ দিলে নিজক সদৰ্থকভাৱে উপস্থাপন কৰিব পাৰে তেনে উত্তৰহে প্ৰদান কৰে সেয়া উত্তৰ অসত্যও হ'ব পাৰে।

### (৩) মনো-বিশ্লেষণ পদ্ধতি (Psycho-Analytic Method) :

এই পদ্ধতিৰে কিশোৰ-কিশোৰীৰ সমস্যাবোৰ অধ্যয়ন কৰা হয় যদিও এই পদ্ধতিও সম্পূৰ্ণ সুবিধাজনক নহয়। এই পদ্ধতি সকলো কিশোৰ-কিশোৰীৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি, কেৱল সমস্যা থকা কিশোৰ-কিশোৰীৰৰ ক্ষেত্ৰতহে এই পদ্ধতি প্ৰয়োগ কৰিব পাৰি।

### (৪) অতীতদৰ্শী প্ৰতিবেদন (Retrospective Report) :

এই পদ্ধতিত প্ৰাপ্তবয়স্ক ব্যক্তিসকলক তেওঁলোকৰ কৈশোৰ কালৰ বিষয়ে প্ৰশ্ন সোধা হয়। পৰিপক্ক প্ৰাপ্তবয়স্ক ব্যক্তিসকলে শুদ্ধভাৱে নিজৰ কিশোৰ কালৰ তথ্য প্ৰকাশ কৰাত শংকাবোধ নকৰে। সেয়েহে কেতিয়াবা এই পদ্ধতিৰ যোগে মূল্যৱান আৰু ভাল ফলাফল লাভ কৰিব পাৰি। কিন্তু কেতিয়াবা দেখা যায় যে সময়ৰ ব্যৱধানৰ বাবে হোৱা পাহৰণিৰ ফলত প্ৰাপ্তবয়স্ক ব্যক্তিসকলে ভুল তথ্যও প্ৰদান কৰে।

### (৫) কিশোৰ-কিশোৰীৰ দিনপঞ্জী (Adolescent Diary) :

কিশোৰ-কিশোৰীসকলে দিনপঞ্জীত মুক্তভাৱে নিজৰ মতামত লিপিবদ্ধ কৰে। অন্য মানুহে এই দিনপঞ্জী নপঢ়ে বাবে তেওঁলোকে শংকাহীনভাৱে এই কাৰ্য সম্পাদন কৰে। দিনপঞ্জী লিখাৰ সময়ত তেওঁলোকৰ স্মৃতিশক্তিও শক্তিশালী হৈ থাকে। গতিকে কিশোৰ কিশোৰীৰ আচৰণ অধ্যয়নৰ বাবে এই দিনপঞ্জীবোৰ এক গুৰুত্বপূৰ্ণ সমল। কিন্তু এই পদ্ধতিৰ অসুবিধা হ'ল এয়ে যে অতি কম সংখ্যক কিশোৰ-কিশোৰীয়েহে দিনপঞ্জী লিখে।

### (৬) শিক্ষক, চিকিৎসক আৰু ক্ৰিয়া সংগঠকে প্ৰদান কৰা তথ্য (Facts Disclosed by Teachers, Doctors and Sport Organizers) :

কিশোৰ-কিশোৰীৰ আচৰণ অধ্যয়ন কৰাত শিক্ষক, চিকিৎসক আৰু ক্ৰিয়া সংগঠনসকলে কিছু পৰিমাণে বৰঙণি আগবঢ়ায়। কিয়নো এই লোকসকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে কিশোৰ-কিশোৰীৰ লগত জড়িত হৈ থাকে। কিন্তু এই ক্ষেত্ৰত অসুবিধা হ'ল এয়ে যে এই লোকসকলৰ ওচৰত আচৰণ প্ৰদৰ্শনৰ বেলিকা কিশোৰ-কিশোৰীসকল সজাগ হৈ থাকে।

## কৈশোৰ কাল-অৱস্থান্তৰ প্ৰাপ্তি কাল (Adolescence— Age of Transition) ঃ

বিকাশৰ আন স্তৰবোৰৰ তুলনাত কৈশোৰকালৰ বিকাশৰ ধাৰা বৈচিত্ৰ্যপূৰ্ণ। সাধাৰণতে বহলভাৱে ১২ বছৰ বয়সৰ পৰা ১৮/১৯ বছৰ বয়সলৈ কিশোৰ-কিশোৰীক কৈশোৰ কালত অন্তৰ্ভুক্ত কৰা হয়। আকৌ ব্যাপক পৰিসৰৰ অধ্যয়নৰ ফালৰ পৰা কৈশোৰ কালত প্ৰথম তিনি-চাৰি বছৰ সময়ক বয়ঃসন্ধি কাল বোলা হয়। বৈচিত্ৰময় বিকাশৰ দিশ অনুধাৱন কৰি বিভিন্ন মনোবিজ্ঞানীয়ে কৈশোৰ কালক ভিন ভিন ধৰণে মত পোষণ কৰিছে। আমেৰিকাৰ চিন্তাবিদ ষ্টেন্‌লি হ'ল (Stanley Hall) ৰ মতে কৈশোৰ কাল হ'ল জীৱনৰ ধুমুহা আৰু পীড়নৰ সময় (Storm and Stress of life)। আকৌ ৰুʼচোৰ (Rousseau) ৰ মতে কৈশোৰ কালছোৱা হ'ল ব্যক্তিৰ জীৱনৰ এক গঠনাত্মক পৰ্যায় (a formative period of life)। আকৌ কোনোৱে এই সময়ছোৱাক ব্যাপক দৃষ্টিভংগীৰে অৱস্থান্তৰ প্ৰাপ্তিকাল (Age of transition) হিচাপে ব্যাখ্যা কৰিছে।

কৈশোৰ কালক অৱস্থান্তৰ প্ৰাপ্তি কাল হিচাপে ব্যাখ্যা কৰাৰ কাৰণ হ'ল বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কাল লাভ কৰিবৰ বাবে কৈশোৰ কালছোৱাই মধ্যস্থতাকাৰীস্বৰূপে কাৰ্য সম্পাদন কৰে। কৈশোৰ কালত জৈৱিক, জ্ঞানমূলক সামাজিক আৰু আৱেগিক আদি দিশত অৱস্থান্তৰ দেখিবলৈ পোৱা যায়। এই বিষয়ে তলত আলোচনা কৰা হ'ল—

**(১) যৌৱনাৰম্ভ বা বয়ঃসন্ধি (Puberty) :** কৈশোৰ কালৰ আৰম্ভণিতে দেখা পোৱা এক অৱস্থান্তৰ হ'ল যৌৱনপ্ৰাপ্তি। অভিধানিক দিশেৰে চালে যৌৱনাৰম্ভ হ'ল এক পৰ্যায় য'ত ব্যক্তিয়ে যৌন ক্ষমতা লাভ কৰে। সাধাৰণভাৱে চালে এই পৰ্যায়ত ল'ৰা-ছোৱালীৰ দৈহিক পৰিবৰ্তন দ্ৰুত হয়। এই সময়চোৱাত ল'ৰা-ছোৱালীৰ যৌনাংগৰ পৈণতাপ্ৰাপ্তি হয় আৰু জৈৱিক প্ৰজননিক ক্ষমতা সিহঁতে লাভ কৰি উঠে। এই কালছোৱাত ছোৱালী ঋতুমতী হয় আৰু ল'ৰাৰ মুখত দাড়ি গজা, মাত সলনি হোৱা আদিৰ পৰা যৌৱনাৰম্ভৰ কথা জানিব পাৰি। এই কালত দেহ ৰাসায়নিক পৰিৱৰ্তনৰ ফলত ল'ৰা বীৰ্যধাৰী আৰু ছোৱালী ঋতুমতী হয়। দেহৰ উপৰিভাগত যৌনকেশ দেখা দিয়ে। এনেবোৰ দৈহিক পৰিবৰ্তনে ল'ৰা আৰু ছোৱালীৰ মানসিক দিশত অনুৰূপ প্ৰভাৱ পেলায়। ল'ৰাই দেহ মানসিকভাৱে পৌৰুষত্ব আৰু ছোৱালীয়ে নাৰীত্বপ্ৰাপ্ত হয়।

**(২) জ্ঞানমূলক অৱস্থান্তৰ (Cognitive Transition) :** কৈশোৰ কালৰ অৱস্থান্তৰৰ দ্বিতীয় দিশটো হ'ল জ্ঞানমূলক। শিশুৰ তুলনাত কিশোৰ-কিশোৰীয়ে অধিক উন্নতভাৱে, ফলপ্ৰসূভাৱে আৰু জটিলভাৱে চিন্তা কৰিব পাৰে। ইয়াক পাঁচটা দিশেৰে বিশ্লেষণ কৰিব পাৰি।

প্ৰথমতে, শিশুৰ তুলনাত কিশোৰ-কিশোৰীয়ে অধিক উন্নতভাৱে বাস্তৱত কোনটো সম্ভৱ, কোনো এটা কাৰ্যত কি কি সীমাৱদ্ধতা আছে, কি কি নতুনত্ব কোনো এটা কাৰ্যত আনিব পাৰি এই বিষয়ে চিন্তা কৰিব পাৰে। এই সময়ছোৱাত নিজ বিচাৰ-বিবেচনা, যুক্তি-তৰ্ক প্ৰয়োগ কৰিব পৰা ক্ষমতা বৃদ্ধি পায়।

দ্বিতীয়তে, কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে বিমূৰ্ত ধাৰণাৰ বিষয়ে চিন্তা কৰা ক্ষমতা বিকশাই তোলে। ল'ৰা-ছোৱালীয়ে অৰ্ন্তদৰ্শন পদ্ধতিৰে সমগ্ৰ বিষয়বস্তুক পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কৰি শিক্ষা আহৰণ কৰিবলৈ সক্ষম হৈ উঠে। তেওঁলোকে বিচাৰ-বিবেচনা আৰু বোধশক্তি প্ৰয়োগ কৰি শিকিবলৈ সক্ষম হয়। এই স্তৰত সিহঁতে ন্যায়, সুন্দৰতা, সততা আদি বিমূৰ্ত বিষয়ৰ চিন্তা কৰিব পাৰে।

তৃতীয়তে, কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে সন্মুখীন হোৱা সমস্যাবোৰ নিজে চিন্তা কৰি আৰু যুক্তিৰ সহায়ত সমাধান কৰিব পৰা হয়। অৰ্থাৎ এই কালত সিহঁতৰ অন্তঃপ্ৰেক্ষণ আৰু আত্ম-সজাগতা বৃদ্ধি পায়। এই স্তৰত ল'ৰা-ছোৱালীৰ চিন্তা-ভাৱনা শৃংখলাবদ্ধ, বিজ্ঞানসন্মত আৰু পৰীক্ষণমূলক হৈ উঠে।

চতুৰ্থতে, শিশুসকলে এটা সময়ত এটা বিষয়ত চিন্তা কৰাৰ পৰিৱৰ্তে কিশোৰ-কিশোৰীসকলে এটা সময়তে বিভিন্ন বিষয়ৰ চিন্তা কৰিব পাৰে। সমস্যাৰ সন্মুখীন আৰু সমাধান ক্ষমতা বৃদ্ধি হয় বাবে ল'ৰা-ছোৱালীৰ এই স্তৰত ভিন্ন বিষয়ৰ চিন্তা একেলগে কৰিব পাৰে।

পঞ্চমতে, শিশুসকলে বস্তুক একক হিচাপে চোৱাৰ পৰিৱৰ্তে কিশোৰ-কিশোৰীয়ে প্ৰতিটো বস্তুকে সম্বন্ধসূচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰে।

**(৩) আৱেগিক অৱস্থান্তৰ (Emotional Transition) :** শৈশৱ আৰু বাল্যকালৰ তুলনাত কৈশোৰ কালত ল'ৰা-ছোৱালীৰ আৱেগিক জীৱনত বিভিন্ন পৰিবৰ্তন দেখিবলৈ পোৱা যায়।

এই কালছোৱাত কিশোৰ-কিশোৰীসকল স্বাধীনতাপ্ৰিয় আৰু আত্ম-নিৰ্ভৰশীল হয়। ল'ৰা-ছোৱালীয়ে এই স্তৰত সুখদায়ক আৰু দুখদায়ক দুয়োবিধ আৱেগেই প্ৰকাশ কৰে। বহুসময়ত তেওঁলোকৰ আনন্দ-উলাহ, প্ৰেম-প্ৰীতি, আশা-আকাংক্ষা, খং, হিংসা, ঘৃণা, ক্ৰোধ আদি অতিমাত্ৰা ৰূপত প্ৰকাশিত হয়। ইয়াৰ উপৰিও বিশেষকৈ কৈশোৰ কালত মানসিক অৱস্থা, সততা, সমতা, ন্যায়, আধ্যাত্মিকতা আদি বিষয়ে ল'ৰা-ছোৱালীক আৱেগিক কৰি তোলে আৰু ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ মনত সহানুভূতি, ঐক্য-সংহতিৰ ভাৱ, দেশৰ প্ৰতি ভালপোৱা, সামাজিক কাৰ্যত দলবদ্ধ যোগদান কৰা আদি আৱেগৰ সৃষ্টি কৰে।

আৱেগৰ বিকাশৰ বাবে বাল্যকালৰ সমলিংগৰ প্ৰতি থকা ল'ৰা-ছোৱালীৰ আকৰ্ষণ বিপৰীত লিংগলৈ পৰিৱৰ্তন হয়। আৱেগৰ বশৱৰ্তী হৈ নিজৰ প্ৰয়োজনীয় চাহিদা পূৰণত ব্যৰ্থ হৈ ল'ৰা-ছোৱালীয়ে অপৰাধমূলক কাৰ্য সম্পাদন কৰিবলৈও কুণ্ঠাবোধ নকৰে। কৈশোৰৰ আৱেগিক জীৱন অতি সংবেদনশীল আৰু দ্ৰুত প্ৰতিক্ৰিয়াশীল। সেয়ে ইয়াৰ প্ৰভাৱ ব্যক্তিৰ পৰৱৰ্তী জীৱনত সুদূৰ প্ৰসাৰী হৈ উঠিব পাৰে।

**(৪) সামাজিক অৱস্থান্তৰ (Social Transition) :** কৈশোৰ কালত ওপৰোক্ত অৱস্থান্তৰবোৰৰ বাহিৰেও সামাজিক সম্বন্ধৰ ক্ষেত্ৰত অৱস্থান্তৰ দেখিবলৈ পোৱা যায়।

কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে আটাইতকৈ বেছি সময় সমনীয়াৰ লগত অতিবাহিত কৰিব বিচাৰে। ঘৰৰ সদস্য বা অগ্ৰজসকলৰ তুলনাত সমনীয়া বন্ধু-বান্ধৱীৰ লগত কিশোৰ-কিশোৰীয়ে আনন্দ উপভোগ কৰিব বিচাৰে। ইয়াৰ উপৰিও এই স্তৰত সমলিংগতকৈ বিপৰীত লিংগৰ বন্ধু-বান্ধৱীৰ প্ৰতি ল'ৰা-ছোৱালী অধিক আকৰ্ষিত হয়। আকৌ বাল্যকালৰ তুলনাত কৈশোৰ কালত তেওঁলোকৰ বন্ধু-বান্ধৱীৰ সংখ্যা বহু পৰিমাণে বৃদ্ধি হৈ উঠে। এই স্তৰত বন্ধু নিৰ্বাচনৰ ক্ষেত্ৰত বিশেষ আগ্ৰহ, অভিৰুচি, সামাজিক মানদণ্ড, নৈতিক মূল্যবোধ, বিচাৰ-বিবেচনা আদিয়ে প্ৰাধান্য লাভ কৰে।

সমাজৰ স্বাৰ্থৰক্ষাৰ খাতিৰত কিশোৰ-কিশোৰীয়ে সমাজৰ দায়িত্বশীল ব্যক্তিৰ লগত সম্বন্ধ স্থাপন কৰে, সমাজৰ নীতি-নিয়ম আস্থা-নিস্থাৰে পালন কৰে, সমাজৰ সমস্যা সমাধানত নিজে আগভাগ লৈ নেতৃত্ব প্ৰদান কৰিব বিচাৰে। এই সময়ছোৱাত কোনো ক্লাব বা সংগঠনৰ সদস্য হ'বলৈ তেওঁলোকে ভাল পায় আৰু মনত স্বদেশ প্ৰেম, সামাজিক কাম-কাজ, দুৰ্গতসকলৰ বাবে সহানুভূতি আদি ভাব বৃদ্ধি পায়।

গতিকে দেখা গ'ল যে কৈশোৰ কাল হ'ল অৱস্থান্তৰ প্ৰাপ্তিৰ কাল আৰু যৌৱনাৰম্ভ, জ্ঞানমূলক, আৱেগিক আৰু সামাজিক আদি দিশৰ ক্ষেত্ৰত কিশোৰ-কিশোৰীৰ অৱস্থান্তৰ দেখিবলৈ পোৱা যায়।

## কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ কাল হয়নে ? (Is Adolescence a period of strom and stress) :

কৈশোৰ কালছোৱাক ধুমুহা আৰু পীড়নৰ সময় বুলি মনোবিজ্ঞানী ষ্টেনলি হ'লে (Stanley Hall) বিবেচনা কৰিছিল। ১৯০৪ চনত তেখেতৰ দ্বাৰা ৰচিত 'Adolescence' নামৰ গ্ৰন্থত এই বিষয়ে বৰ্ণনা কৰিছিল। হ'লে এই মত প্ৰকাশ কৰাৰ কাৰণ হ'ল বাল্যকালৰ পৰা প্ৰাপ্তবয়স্ক কাললৈ অগ্ৰসৰ হোৱাৰ মাজৰ অৱস্থান্তৰৰ সময়ছোৱা অনিবাৰ্য মানসিক অশান্তিৰ সময়। 'ধুমুহা' শব্দই আত্ম-নিয়ন্ত্ৰণ নিম্নগামী হোৱাক বুজায় আৰু 'পীড়ন' শব্দই সংবেদনশীলতাৰ পৰ্যায় বৃদ্ধি হোৱাক বুজায়।

হ'লে বৰ্ণনা কৰা অনুসৰি তিনি প্ৰকাৰৰ ধুমুহা আৰু পীড়ন হ'ল—

**(ক) পিতৃ-মাতৃৰ লগত দ্বন্দ (Conflict with Parents) :** কিশোৰ কিশোৰীসকলৰ এই সময়ছোৱাত পিতৃ-মাতৃৰ লগত দ্বন্দ হোৱা দেখা যায়। ইয়াৰ কাৰণ এই সময়ছোৱাত তেওঁলোক অধিক স্বতন্ত্ৰ আৰু স্বাধীন হ'ব বিচাৰে।

**(খ) মানসিক অৱস্থা বা মেজাজ ব্যাহত হোৱা (Mood Disruption) :** আৱেগিক দিশৰ অনিয়ন্ত্ৰিত পৰিৱৰ্তনে কিশোৰ-কিশোৰীৰ মাজত হ'ৰমনৰ পৰিৱৰ্তন আৰু মানসিক হেঁচাৰ সৃষ্টি কৰে। ইয়ে তেওঁলোকৰ মাজত সমস্যাৰ সৃষ্টি কৰে।

**(গ) বিপদ সংকুল আচৰণ (Risky Behaviour) :** উদ্দীপকৰ বাবে স্নায়ৱিক প্ৰয়োজন আৰু আৱেগিক অপৰিপক্কতাৰ সংমিশ্ৰণে কিশোৰ-কিশোৰীসকলৰ বিপদ সংকুল আচৰণৰ পৰিমান বৃদ্ধি কৰি তোলে।

কৈশোৰ কালছোৱাক ধুমুহা আৰু পীড়নৰ সময় বুলি কোৱাৰ অন্তৰালত থকা কেতবোৰ কাৰণ হ'ল—

**(১) জৈৱিক দিশ আৰু কৈশোৰ কাল (Biology and Adolescence) :** হ'লৰ মতে এই সময়ছোৱাক ধুমুহা আৰু পীড়নৰ সময় বুলি কোৱাৰ কাৰণ হ'ল যৌৱনাৰম্ভৰ বাবে জৈৱিক পৰিৱৰ্তন। দেহত বিকশিত হোৱা জৈৱিক পৰিৱৰ্তনবোৰ ব্যৱস্থাপিত কৰিবৰ বাবে সময়ৰ প্ৰয়োজন হয়। হ'ৰমনৰ পৰিৱৰ্তনে কিশোৰ-কিশোৰীৰ মেজাজ তাৎক্ষণিকভাৱে পৰিৱৰ্তন কৰে। এই সময়ছোৱাৰ দৈহিক বিকাশে কিশোৰ-কিশোৰীসকলক অসন্তুষ্টিত ভোগায়। স্নায়ৱিক দিশবোৰো এই স্তৰত দ্ৰুতভাৱে বিকশিত হয় আৰু ইয়ে কিশোৰ-কিশোৰীক আভ্যন্তৰীণভাৱে অশান্তি প্ৰদান কৰে।

উদাহৰণস্বৰূপে ৰীতাই সমনীয়া বান্ধৱীসকলৰ লগত কথা-বতৰাৰ সময়ত অত্যাধিক প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে কাৰণ তাইৰ হ'ৰমনবোৰে তাইৰ আৱেগক প্ৰভাৱিত কৰি থাকে। গতিকে কিশোৰ-কিশোৰীৰ আচৰণত জৈৱিক কাৰকে প্ৰভাৱিত কৰা দেকা যায়।

**(২) মনোবিজ্ঞান আৰু কৈশোৰ কাল (Psychology and Adolescence) :** কৈশোৰ কালছোৱাৰ

বিশেষ কেতবোৰ মনোবৈজ্ঞানিক বৈশিষ্ট্যৰ বিষয়ে হ'লে মতপোষণ কৰিছিল। কিশোৰ-কিশোৰী সকলে স্বাধীনতা বিচাৰে আৰু অভিভাৱকৰ পৰিৱৰ্তে সমনীয়াৰ লগত সম্বন্ধ অধিক গাঢ় কৰে। কৈশোৰ কালত মনোযোগ বিচাৰ আৰু বিপদ সংকুল আচৰণ ল'ৰা-ছোৱালীৰ মাজত অধিক বৃদ্ধি পাই উঠে। এই বৈশিষ্ট্যবোৰে কিশোৰ-কিশোৰীৰ জটিলতাৰ মাত্ৰা বৃদ্ধি কৰি তোলে। আৱেগৰ প্ৰৱণতা এই সময়ছোৱাত অতি ব্যাপক আৰু সঘনাই আৱেগ সলনি হৈ থাকে। জীৱনৰ অন্য সময়তকৈ এই সময়ছোৱাত ব্যক্তিয়ে অধিক হতাশা, আত্ম-সচেতনতা, সংশয়, নিসংগতা, সংকিত হোৱা আদি আৱেগৰ অধিক মুখামুখি হয়।

**(৩) সামাজিক দিশ আৰু কৈশোৰ কাল (Social Apsect and Adolescence) ঃ** মনোবিজ্ঞানী ষ্টেনলি হ'লে কিশোৰ-কিশোৰীসকলৰ জীৱনত সামাজিক দিশৰ প্ৰভাৱ বিষয়েও বৰ্ণনা কৰিছিল। কৈশোৰ কালত সামাজিক সচেতনতা, আনক সহায়ৰ প্ৰৱণতা, আত্মসন্মানবোধ আদি বৈশিষ্ট্য দেখিবলৈ দেখা যায়। এই দিশবোৰৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীয়ে নিজকে আগুৱাই নিব নোৱাৰিলে সিহঁত অপসমাযোজনৰ সমস্যাত ভোগা দেখা যায়। ইয়াৰ ফলত সিহঁতৰ মাজত উদ্বিগ্নতা অহা দেখা যায়।

গতিকে, ক'ব পাৰি যে কৈশোৰ কালছোৱা হ'ল ধুমুহা আৰু পীড়নৰ সময়। এই সময়ছোৱাত কিশোৰ-কিশোৰীক বিকশাত্মক দিশেৰে আগুৱাই নিব পাৰিলে ভৱিষ্যত জীৱনত সিহঁতে নিজকে সুনাগৰিক কৰি গঢ়ি তুলিব পাৰে।

## সামৰণি (Conclusion)

সামৰণিত ক'ব পাৰি যে কৈশোৰ কালছোৱা মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাত কিশোৰ-কিশোৰীৰ মাজত বিভিন্ন ধৰণৰ পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। এই পৰিৱৰ্তন ইতিবাচক বা নেতিবাচক হ'ব পাৰে। সেয়েহে, কিশোৰ-কিশোৰীৰ লগত জড়িত সকলো ব্যক্তি সিহঁতৰ সুস্থ বিকাশৰ বাবে দায়বদ্ধ হৈ থকাটো দৰকাৰ।

আকৌ ক'ব পাৰি দেশ এখন বিকশাই তোলাত সেই দেশৰ যুৱক-যুৱতীসকলে প্ৰধান ভূমিকা গ্ৰহণ কৰে। সেয়েহে কিশোৰ-কিশোৰীসকলৰ মনোবিজ্ঞান অধ্যয়ন কৰাটো একান্ত প্ৰয়োজনীয়। কিশোৰ-কিশোৰীৰ মনোবিজ্ঞান অধ্যয়নৰ যোগেদিহে তেওঁলোকৰ সৰ্বাত্মক বিকাশ সাধন কৰিব পৰা যায়।

## প্ৰশ্নাৱলী ঃ

**(১) অতি চমু উত্তৰ দিয়া (Give very short answer)**

(i) বাল্যকাল আৰু প্ৰাপ্তবয়স্ক কালৰ মাজৰ স্তৰটোৰ নাম কি?
Name the intermediate period between childhood and adulthood.

(ii) "কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ সময়"—কথাষাৰ কোনে কৈছিল?
"Adolescence is a period of stress and strain"–Who said the statement?

(iii) মানৱ জীৱনৰ বিকাশৰ ১২-১৮ বছৰৰ ভিতৰত পৰা স্তৰটোৰ নাম লিখা।

Name the Period of human development from 12-18 years.

(iv) কৈশোৰ কালৰ এটা লক্ষ্য উল্লেখ কৰা।

Mention one goal of adolescence period.

(v) কৈশোৰ অধ্যয়ণৰ এটা পদ্ধতিৰ নাম লিখা।

Write the name of one method of studying adolescents.

(vi) কৈশোৰ কালৰ এটা সংজ্ঞা দিয়া।

Give a definition of Adolecence stage.

(২) **শুদ্ধ নে অশুদ্ধ লিখা (Write true on false)**

(i) কৈশোৰ কাল হ'ল স্ব-ৰতিমূলক।

Adolescence is a period of self love.

(ii) পৰানিৰ্ভশীলতা কৈশোৰ কালৰ বৈশিষ্ট্যসমূহৰ ভিতৰত এটা।

Dependability is one of the characteristics of adolescence.

(iii) দলানুগত্য হ'ল কৈশোৰ কালৰ এক বৈশিষ্ট্য।

Gang loyality is one of the characteristics of adolescence.

(iv) কৈশোৰ কাল সমকামিতাৰ সময়।

Adolescence is a period of homosexuality.

(৩) **খালী ঠাই পূৰ কৰা (Fill in the blanks)**

(i) কৈশোৰ কাল হ'ল —— অৱস্থান্তৰ প্ৰাপ্তিৰ সময়।

Adolescence is a transitional period of ——.

(ii) কৈশোৰ শব্দটো লেটিন ভাষাৰ —— শব্দৰ পৰা আহিছে।

Adolescence is derived from Latin word ——.

(iii) জ্যা পিয়াজেৰ মতে কৈশোৰ কাল হ'ল —— স্তৰ আৰম্ভণিৰ সময়।

According to Jean Piaget, adolescence period is the beginning of the stage of – ——.

(iv) কৈশোৰ কাল হ'ল আত্ম —— আৰু আত্মা —— সময়।

Adolescence is a period of self —— and self ——.

(v) কৈশোৰ কাল হ'ল —— পৰিৱৰ্তনৰ সময়।

Adolescence is a period of —— change.

(vi) —— মতে, কৈশোৰ কাল হ'ল জীৱনৰ এক গঠনাত্মক পৰ্যায়।

According to —— adolescence is a formative period of life.

(৪) **চমু উত্তৰ লিখা (Write short answers)**

(i) কৈশোৰ কালৰ যিকোনো দুটা বৈশিষ্ট্য লিখা।

Write any two characteristics of adolescence.

(ii) যৌৱনাৰম্ভ বুলিলে কি বুজা?

What is meant by puberty?

(iii) কৈশোৰ কালৰ ধাৰণাৰ বিষয়ে লিখা।

Write about the concept of adolescence.

(iv) কৈশোৰৰ আচৰণ অধ্যয়ণৰ প্ৰয়োজনীয়তাৰ দুটা কাৰণ লিখা।

Write two reasons for the need of studying adolescence behaviour.

(v) কৈশোৰ কালৰ দুটা লক্ষ্য লিখা।

Write the two goals of adolescence.

(vi) বীৰপূজা মানে কি?

What is hero worship?

(৫) **চমুটোকা লিখা (Write short notes)**

(i) কৈশোৰ কাল দ্ৰুত পৰিবৰ্তনৰ সময়।

Adolescence is a period of rapid change.

(ii) কৈশোৰৰ প্ৰয়োজন।

Needs of adolescence.

(iii) কৈশোৰ অধ্যয়ণৰ পদ্ধতি।

Methods of adolescent's study.

(iv) কৈশোৰৰ জ্ঞানমূলক অৱস্থান্তৰ

Cognitive Transition of adolescence.

(৬) উত্তৰ লিখা (Write answer)

(i) কৈশোৰ কাল কাক বোলে? এই কালছোৱাত ল'ৰা-ছোৱালীৰ প্ৰয়োজনসমূহ আলোচনা কৰা।

What is adolescence? Discuss the needs of boys and girls at this stage.

(ii) কৈশোৰ কালৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

Discuss the characteristics of Adolescence period.